# ভাৰতৰ ৰূপান্তৰ

## সঙ্গতিপূৰ্ণ শিক্ষা আৰু ব্যৱসায়িক প্ৰশিক্ষণৰ জৰিয়তে ভাৰতৰ জনসাধাৰণৰ সশক্তিকৰণ



**এই কিতাপখন উছৰ্গা কৰা হৈছে নিম্নোক্ত খণ্ডসমূহৰ প্ৰতি :**

১. ভাৰতৰ যুৱ প্ৰজন্ম বয়স ৩৫ বছৰ পৰ্যন্ত ........................ ৮৫০ নিযুত
২. এমএসএমই-ত কৰ্মৰত লোক ........................ ৪৬০ নিযুত
৩. ১৩-ৰ পৰা ২৫ বছৰ বয়সীয়া নিযুক্ত ........................ ৩০০ নিযুত

***i Watch* ১২টা ভাষা + ইংৰাজীত** ভাৰতৰ ২৮ খন ৰাজ্য আৰু ৬টা কেন্দ্ৰশাসিত অঞ্চলত গৈ উপস্থিত হৈছে।



# ভাৰতৰ ৰূপান্তৰ

**সঙ্গতিপূৰ্ণ শিক্ষা** আৰু **ব্যৱসায়িক প্ৰশিক্ষণৰ**
জৰিয়তে ভাৰতৰ জনসাধাৰণৰ
**সশক্তিকৰণ**

কৃষণ খান্না
প্ৰণীত

সমৰ্থন

TIMES FOUNDATION
THE TIMES GROUP

Sundaram®
Education Revolution

ভাৰতত শীতল প্রিন্টচ, ২১১, প্রগতি ইণ্ডাষ্ট্রিয়েল ইষ্টেট, ড. এন. এম. যোশী মার্গ, ল'ৱাৰ পৰেল পূব, মুম্বাই-৪০০০১১-ৰ দ্বাৰা মুদ্রিত।

ভাৰতত মেনিফেষ্ট পাব্লিকেশ্যন্চ, ৩০৮, অলিম্পাচ, অল্টামাউন্ট ৰোড, মুম্বাই-৪০০০২৬, ভাৰতৰ দ্বাৰা প্ৰকাশিত।

কপিৰাইট © কৃষণ খান্না ২০১২

ভাৰতত ১৯৯৩ চনত প্ৰথম বাৰ প্ৰকাশিত

IBN ৯৭৮-৮১-৯০৬৬২১-০-৯

ভাৰতৰ ৰূপান্তৰ নামৰ এই কিতাপখন *i Watch*-এ ১৯৯৩ চনত প্ৰথমবাৰ প্ৰকাশ কৰিছিল তথা তাৰপিছত প্ৰতি বছৰে ইয়াক সংশোধন আৰু বৰ্ধিত কৰি বৰ্তমান সংস্কৰণলৈকে প্ৰকাশ কৰি আহিছে। অনুগ্ৰহ কৰি এই বিষয়ৰ বিৰৰণ পৃষ্ঠা ৪-ত চাওক। এই কিতাপখন অন্য ১২ টা ভাৰতীয় ভাষাতো, যেনে হিন্দী, উৰ্দু, পঞ্জাবী, ইংৰাজী, অসমীয়া, উৰিয়া, বাংলা, গুজৰাটী, মাৰাঠী, তামিল, মালয়ালাম, কানাড়া আৰু তেলেগুত প্ৰকাশ কৰা হৈছে।

ভাৰতত শীতল প্রিন্টচ, ২১১, প্রগতি ইণ্ডাষ্ট্রিয়েল ইষ্টেট, ড. এন. এম. যোশী মার্গ, ল'ৱাৰ পৰেল পূব, মুম্বাই-৪০০০১১-ৰ দ্বাৰা মুদ্রিত।

ভাৰতত মেনিফেষ্ট পাব্লিকেশ্যন্চ, ৩০৮, অলিম্পাচ, অল্টামাউন্ট ৰোড, মুম্বাই-৪০০০২৬, ভাৰতৰ দ্বাৰা প্ৰকাশিত।

**স্বত্বাধিকাৰ আৰু উদ্ধৃতি**

এই কিতাপখনৰ সকলো বিষয়বস্তু, যেনে ধৰক মূল পাঠ, গ্ৰাফিক্চ, ল'গ'জ, ডেটাৰ সঙ্কলন আদি হ'ল *i Watch* -ৰ লগতে অন্য তথ্য প্ৰদানকৰ্তাৰ সম্পত্তি। এই কিতাপ বা ইয়াৰ কোনো অংশকে পুনৰ উল্লেখ, নকল, প্ৰকাশ, প্ৰচলন বা অবৈধ উপায়েৰে সংশোধন কৰা উচিত নহয়। এই কিতাপৰ কোনো অংশকে *i Watch* -ৰ পূৰ্ব অনুমতি আৰু লিখিত সন্মতি অবিহনে কেতিয়াও কোনো ধৰণেৰে বা কোনো উপায়েৰে লাগিলে মেকানিকেলেই হওক বা ইলেক্ট্ৰনিক মাধ্যম, প্ৰেৰণ কৰা উচিত নহয়।

# ভাৰতৰ ৰূপান্তৰ

## **সঙ্গতিপূৰ্ণ শিক্ষা** আৰু **ব্যৱসায়িক প্ৰশিক্ষণৰ**
## জৰিয়তে ভাৰতৰ জনসাধাৰণৰ
## **সশক্তিকৰণ**

১. **এইখন কোনো আলোচনী নহয়, বৰঞ্চ এখন কিতাপহে।** পঢ়িবলৈ সহজ হ'বৰ বাবে ইয়াক বিশেষভাৱে আলোচনীৰ দৰে ৰূপ দিয়া হৈছে। অতি কম সংখ্যক লোকেহে ২০০ পৃষ্ঠাৰ এখন কিতাপ পঢ়িব বিচাৰিব।

২. এই কিতাপ আৰু এই কাৰ্য ভাৰতৰ যুৱ প্ৰজন্ম আৰু এমএচএমই-কৰ্মৰত ৪৬ কোটি লোক তথা এনে পুৰুষ আৰু মহিলাৰ প্ৰতি সমৰ্পিত যি **যুৱক-যুৱতীৰ সশক্তিকৰণ,** বিশেষকৈ **মহিলা আৰু বালিকা শিশুৰ** বাবে কাম কৰি আছে।

৩. এই কিতাপখনৰ সাৰমৰ্ম বুজিবলৈ আৰু উপলব্ধি কৰিবলৈ সৰ্বপ্ৰথম পঢ়া উচিত **পৃষ্ঠা ৭,** কাৰণ এই **প্ৰচেষ্টাৰ সাৰাংশ** তাত উল্লেখ কৰা হৈছে।


৪. এই কিতাপখনৰ ক্ৰমবিবৰ্তনৰ ইতিহাস, **পৃষ্ঠা ৮**

৫. চিৰস্মৰণীয় প্ৰেৰণা, **পৃষ্ঠা ৯**

৬. এজন নাগৰিকৰ প্ৰচেষ্টা, **পৃষ্ঠা ১০**

৭. এই কিতাপখনৰ লক্ষ্য, **পৃষ্ঠা ১০**


আপোনালৈ অনুৰোধ জনোৱা হ'ল এই কিতাপৰ মুখ্য অধ্যায়সমূহলৈ যোৱাৰ আগতে আপুনি যেন পৃষ্ঠা ৭, ৮, ৯ আৰু ১০ এবাৰ পঢ়ি লয়।

# বিষয়সূচী


বিষয়সূচী ২
পাতনি ৪
বৰ্তাই ৰাখক অৰ্থনীতিৰ বৃদ্ধি ৭
এই কিতাপখনৰ বিকাশৰ ইতিহাস ৮
চিৰন্তন প্ৰেৰণা ৯
এজন নাগৰিকৰ প্ৰয়াস আৰু এই কিতাপখনৰ উদ্দেশ্য ১০
আমি আপোনাৰ কাৰণে কি কৰিব পাৰো? ১১
*i Watch* ৰ কেন্দ্ৰীভূত দিশসমূহ ১২
*i Watch*-লৈ নাগৰিকসকলৰ সঁহাৰি ১৪
*i Watch* ৰ বিষয়ে ১৬
নীতি, অভিযান, লক্ষ্য ১৮


## পৰিচ্ছেদ ১ শাসন


ভাৰত - যি কথা আপুনি হয়তো নেজানিবও পাৰে ১৯
ভাৰতৰ ৰূপান্তৰকৰণৰ কাৰ্যসূচী ২১
আৰ্থিক আৰু ব্যৱসায়িক সংশোধন ২৩
শাসন আৰু প্ৰশাসন ২৪
ভাৰত দেশ ২৫
সুশাসনে ভাৰতক এক মহাশক্তিলৈ পৰিণত কৰিব পাৰিব ২৬
সুশাসন + ফলপ্ৰসু প্ৰশাসন = শূন্য দুৰ্নীতি ২৭
বিশ্ব স্তৰৰ বাবে কঠোৰ পৰিশ্ৰমৰ প্ৰয়োজন ২৮
বিশ্ব স্তৰৰ দক্ষতা কেনেকৈ পাব পাৰি? ৩১
বিশ্বশাসন আৰু বিশ্বশান্তি ৩৩


## পৰিচ্ছেদ ২ শিক্ষা আৰু মানৱসম্পদৰ উন্নয়ন


৩ খন দেশৰ কাহিনী, ১৯৪৭ জনৰ ৩৪
শিক্ষাৰ গুৰুত্ব ৩৫
৪০-৬০ ঘন্টাৰ ভিতৰতে লিখিবলৈ-পঢ়িবলৈ শিকা উচিত ৩৬
ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ ভিইটি হ'ল প্ৰকৃত বিজেতা ৩৭
ইএচডি আৰু ভিইটি-ৰ গুৰুত্ব ৩৯
ভাৰতত 'শিক্ষাৰ লেখ-জোখ' ৪১
ভাৰতক উচ্চ তথা কাৰিকৰী শিক্ষাৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰ কৰি তোলা যুগুত ৪৩
হৈ উঠক ভাৰত এক জ্ঞানভিত্তিক অৰ্থব্যৱস্থাৰ দেশ ৪৪
জনসংখ্যাৰ বোমা ৪৭
ভাৰতৰ বিৰোধাভাস ৪৯
যুৱ সবলীকৰণৰ বাৰে তিনিটা প্ৰস্তাৱ ৫১
যুৱক-যুৱতী সকলৰ বাবে পৰামৰ্শ - মই কোন? ৫২

## পৰিচ্ছেদ ৩ অৰ্থনীতি আৰু কৰ্মপ্ৰচেষ্টা


দুখীয়া আৰু ধনীৰ মাজৰ ব্যৱধান ৫৬
প্ৰকৃত আৰু অপ্ৰত্যক্ষ ভাৰত ৫৭
দৰিদ্ৰতাৰ সীমাৰেখা আৰু সেই সম্বন্ধীয় তথ্য ৫৮
বিশ্ব বজাৰৰ বাবে কেনেকৈ আঁচনি লোৱা উচিত, এখন চেকলিষ্ট ৫৯
এমএচএমই-যিকোনো অৰ্থব্যৱস্থাৰ মেৰুদণ্ডস্বৰূপ ৬১
ভাৰত আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰ হৈ উঠিব লাগিব ৬৩
ভাৰতীয় অৰ্থব্যৱস্থাৰ জিডিপি বিশ্লেষণ ৬৫
চীন-ভাৰত, আৰ্থিক আৰু আৰ্থ-সামাজিক কাৰকসমূহ, কেচ্ছ মি ইফ ইউ কেন? ৬৬
বিশ্ব-ইউএচএ, বিআৰআইচি, ইইউ আৰু এছিয়া ৬৭


## পৰিচ্ছেদ ৪ কৰ্মসংস্থান সৃষ্টি


ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ (ভিইটি) ৬৮
মানৱ সম্পদ উন্নয়ন ৬৯
ভাৰতৰ 'এমপ্লয়মেন্ট মেট্ৰিক্স' ৭০
এমএচএমইৰ জৰিয়তে সংস্থাপন সৃষ্টি ৭২
এমএচএমই'ৰ বিভাগসমূহ ইউএচ – এচবিএ শ্ৰেণীবিভাজন ৭৩
ভিইটিৰ জৰিয়তে সংস্থাপন সৃষ্টি ৭৫
ভিইটি (VET) পাঠ্যক্ৰমৰ শ্ৰেণীবিভাগ ৭৬
ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ-ভিইটি-ৰ কাৰ্য্যকৰীকৰণ ৭৯
শিক্ষা আৰু ব্যৱসায়িক প্ৰশিক্ষণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা সংজ্ঞাসমূহ ৮২
চকুৰ পচাৰতে চীন ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ আৰু অৰ্থব্যৱস্থা ৮৩
চকুৰ পচাৰতে জাৰ্মানী (ইইউ'ক প্ৰতিনিধিত্ব কৰিছে) ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ আৰু অৰ্থব্যৱস্থা ৮৪
চকুৰ পচাৰতে আমেৰিকা এক দৃষ্টিত ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ আৰু অৰ্থব্যৱস্থা ৮৫
ভাৰত চকুৰ পচাৰতে ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ আৰু অৰ্থব্যৱস্থা ৮৬
ভাৰতৰ শ্ৰম উৎপাদনশীলতা ৮৭
আমাৰ মানৱ পুঁজিৰ কাৰণে প্ৰাসংগিক শিক্ষা প্ৰশিক্ষণৰ ব্যৱস্থা ৮৮
কৃষি: ভাৰতৰ ওচৰত থকা সুবিধা ৯০


## সাধাৰণ


সাধাৰণ তথ্য ৯১
উৎসসমূহ ৯২
ৰাষ্ট্ৰীয় সমিতিসমূহত *i Watch* ৯৩
এই পুস্তিকাত ব্যৱহৃত কিছু সাংকেতিক শব্দ ৯৪
*i Watch* ৰ প্ৰকাশনসমূহ ১৩ টা ভাষাত উপলব্ধ ৯৫
বছৰি ১০%-ৰ পৰা ১৫%-ৰ জিডিপি বৃদ্ধিৰ হাৰৰ বাবে কৰ্ম যোজনা ৯৬
*i Watch* ৰ ২০১৪-২০১৫ চনৰ বাবে পৰিকল্পিত প্ৰকল্প ৯৭
স্পন্সৰগণ ৯৮
*i Watch* -ৰ তৰফৰ পৰা চিএচআৰ প্ৰকল্পসমূহ ১০০
লেখকৰ বিষয়ে ১০১
দুৰ্নীতি আৰু ক'লাধনৰ বিষয়ৰ ওপৰত এক দফীয়া কৰ্ম আঁচনিৰ পৰামৰ্শ ১০২

# পাতনি

এই প্ৰস্তুতি ভাৰতৰ নাগৰিক সকলৰ, যেনে ৰাজনীতিবিদ, কৃষক, কৰ্মচাৰী, বৃত্তিধাৰী, অধ্যাপক, ছাত্ৰ-ছাত্ৰী, বিদ্বান, ব্যৱসায়ী, গৃহিণী, অভিযন্তা, চিকিৎসক, উকীল, পৰামৰ্শদাতা, প্ৰবাসী ভাৰতীয়, বিদেশত বসবাস কৰা ভাৰতীয় মূলৰ লোকসকল তথা ভাৰতৰ যুৱ সমাজৰ লাভৰ অৰ্থে তৈয়াৰ কৰা হৈছে।

এইখন **এখন কিতাপ হয়,** আলোচনী নহয়। ইয়াৰ ৰচনাশৈলী খুউব সৰল আৰু বন্ধুসুলভ যাতে ইয়াক পঢ়াতো বৰ সহজ হৈ পৰে। বেছি সংখ্যক প্ৰৱন্ধই এটা বা দুটা পৃষ্ঠাৰ ভিতৰতে লিখা হৈছে। খুউব কমসংখ্যক প্ৰবন্ধহে তিনিটা পৃষ্ঠাত লিখা হৈছে।

যেতিয়াই প্ৰয়োজনবোধ হৈছে, সেই সমূহ ঠাইত লিখনীসমূহৰ লগত ৰেখাচিত্ৰ যোগ কৰা হৈছে যাতে অপ্ৰয়োজনীয় লিখনী সমূহ বাদ দিব পাৰি।

এই কিতাপখনত অৰ্ন্তভুক্ত বিষয়বস্তুসমূহক চাৰিটা বিভাগত ভাগ কৰা হৈছে। প্ৰত্যেক পৃষ্ঠাৰ অন্তত লিখনীৰ প্ৰকাৰসমূহ বৰ্গীকৃত কৰা হৈছে। প্ৰাসংগিকতা অনুসৰি ইয়াৰ বিষয়সমূহৰ মাজৰ অৰ্ন্তসম্বন্ধক বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে।

**খণ্ড ১** ত **শাসন** সম্পৰ্কীয় প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে।
**খণ্ড ২** ত **শিক্ষা আৰু মানৱ সম্পদৰ উন্নয়ন** সম্পৰ্কীয় প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে।
**খণ্ড ৩** ত **অৰ্থনীতি আৰু উদ্যোগ** সম্পৰ্কে নিৰ্বাচিত কিছু তথ্য সন্নিবিষ্ট কৰা হৈছে।
**খণ্ড ৪** ত **কৰ্ম সংস্থাপন সৃষ্টি** সম্পৰ্কে প্ৰৱন্ধ সন্নিবিষ্ট কৰা হৈছে।

এই কিতাপখন সেই সকলো লোকৰ কাৰণে লিখা হৈছে যি সকলে অষ্টম শ্ৰেণীলৈকে বা তাতকৈ বেছি পঢ়া শুনা কৰিছে।

যিহেতু সৰ্বাধিক ৭ শতাংশ ভাৰতীয় লোকেহে ইংৰাজী ভালদৰে বুজি পায়, সেই কাৰণে এই কিতাপখন আন আন প্ৰধান ভাৰতীয় ভাষাসমূহতো প্ৰকাশ কৰা হৈছে যেনে মাৰাঠী, গুজৰাটী, উৰ্দু, হিন্দী, তামিল, তেলেগু, কানাড়া, মালয়ালম, উৰিয়া, বাংলা, অসমীয়া আৰু পঞ্জাবী।

ইয়াত অৰ্ন্তভুক্ত লিখনী সমূহত যথাসম্ভৱ নবীনতম তথ্য ব্যৱহাৰ কৰা হৈছে।

পাঠকসকলক অনুৰোধ জনোৱা হ'ল যাতে তেওঁলোকে এই পৃষ্ঠাসমূহত সন্নিবিষ্ট বিষয়বস্তুসমূহক ভাৰতীয় লোকৰ বাবে চিন্তা-ধাৰণা আৰু কাৰ্য্যক সংগঠিত কৰাৰ যি উদ্যমেৰে লিখা গৈছে সেই একে মনোভাবেৰে যেন বিবেচনা কৰে। এয়া কোনো উপদেশাত্মক ভাষণ নহয়, তথ্যসম্বলিত বিৱৰণহে, ইয়াৰ একমাত্ৰ উদ্দেশ্য হৈছে **ভাৰতৰ জনসাধাৰণৰ লাভাৰ্থে** দেশত জন-সচেতনতা তথা কাৰ্য্যকৰীকৰণৰ গতি বৃদ্ধি কৰা।

প্ৰত্যেকটো টোকাই বৈশিষ্ট্যপূৰ্ণ, ইয়াৰ যিকোনো লিখনী যিকোনো সময়তে পঢ়িব পাৰি।

যদি মোক এটা পোনপটীয়া প্ৰশ্ন সোধা হয় যে ভাৰতবাসীৰ সৰ্ব্বোত্তম লাভৰ বাবে কোন পাঁচটা বিষয়ত আমি বেছি মনোযোগ দিয়া উচিত, মোৰ উত্তৰ হ'ব শিক্ষা, শিক্ষা, শিক্ষা, শাসন আৰু প্ৰাথমিক স্বাস্থ্যযত্ন।

**প্ৰথম শিক্ষাৰ** অৰ্থ হৈছে ব্যৱহাৰিক সাক্ষৰতা আৰু প্ৰাক প্ৰাথমিক, প্ৰাথমিক, মাধ্যমিক শিক্ষা। সংসদত ''শিক্ষাৰ অধিকাৰ'' আইন ২০05 চনতহে দাখিল কৰা হৈছিল আৰু ২০০৯ চনত এই আইন গৃহীত হল। ভগৱানক ধন্যবাদ যে স্বাধীনতাৰ ৬৩ বছৰৰ পিছত হ'লেও যে আমি শিক্ষাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলো।

**দ্বিতীয় শিক্ষাৰ** অৰ্থ হৈছে ব্যৱসায়িক শিক্ষা তথা প্ৰশিক্ষণ (VET) আৰু দক্ষতা গঠন। ভি. ই. টিৰ গুৰুত্ব অন্ততঃ প্ৰধানমন্ত্ৰী স্তৰত স্বীকাৰ কৰা গৈছে আৰু তেখেতে ভাৰতৰ যুৱসমাজক সবলীকৰণ তথা প্ৰশিক্ষণৰ জৰিয়তে উৎপাদনমুখী নিযুক্তি দিবৰ কাৰণে এক ৰূপৰেখা তৈয়াৰ কৰিবলৈ ২০০৬ চনৰ নৱেম্বৰ মাহত এককাৰ্য্যদল গঠন কৰিবৰ কাৰণে নিৰ্দেশ দিছিল।

২০০৯ চনত একাদশ যোজনাত **ৰাষ্ট্ৰীয় দক্ষতা পৰিষদ** আৰু **ৰাষ্ট্ৰীয় দক্ষতা উন্নয়ন নিগম** স্থাপনৰ পৰিকল্পনা কৰা হৈছিল। ভাৰত চৰকাৰে একাদশ পঞ্চবৰ্ষীয় যোজনাত ১৫০০ আইটিআই/আইটিটি আৰু ৫০,০০০ অতিৰিক্ত দক্ষতা কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা কৰিছে। বৰ্ত্তমান থকা ৫৫০০ আই.টি.আই কেন্দ্ৰৰ আধুনিকীকৰণৰ কাম পূৰ্ণগতিত চলি আছে।

**তৃতীয় শিক্ষাৰ** অৰ্থ হৈছে সকলো ধৰণৰ মেডিকেল, উচ্চ আৰু কাৰিকৰী শিক্ষাক নিয়ন্ত্ৰণমুক্ত আৰু নিয়মমুক্ত কৰা। ই কেৱল অকলেই নতুনত্ব, উৎকৃষ্টতা সৃষ্টি কৰিব পাৰিব আৰু আমাক বিশ্ব দৰবাৰত স্থান দিব পাৰিব।

আগেয়ে তীখা, চিমেন্ট, গাড়ী, স্কুটাৰ সকলোতে সংৰক্ষণ আছিল। কেৱল বৰ্দ্ধিত ক্ষমতা আৰু মুক্ত বজাৰে দাম, গুণগত মান আৰু উপলব্ধতাৰ সমস্যাতো সমাধান কৰিলে। শিক্ষাৰ সকলো ক্ষেত্ৰৰ পৰা বিশেষকৈ উচ্চতৰ শিক্ষা, মেডিকেল আৰু কাৰিকৰী শিক্ষাৰ পৰা **''লাইচেন্স ৰাজ''** আঁতৰোৱাতো অনিবাৰ্য্য।

শিক্ষা এনে এটা উদ্যোগ যিটো তথ্য প্ৰযুক্তিবিদ্যা তথা চফ্‌টৱেৰতকৈ প্ৰায় পাঁচ গুণ বেছি ডাঙৰ। সেয়েহে ইয়াৰ চফ্‌টৱেৰ আৰু তথ্য প্ৰযুক্তিবিদ্যাতকৈ বহুত বেছি সংস্থাপন সৃষ্টি কৰাৰ ক্ষমতা আছে।

পাঠকসকলে **''প্ৰাথমিক স্বাস্থ্যযত্ন'' সম্পৰ্কীয়** তথ্য আৰু সমাধানৰ বাবে আন বেলেগ উৎস বিচাৰিব লাগিব।

কু শাসন বা বেয়া শাসন সম্পৰ্কীয় বহুকেইটা উদাহৰণ আৰু ইয়াৰ নেতিবাচক প্ৰভাৱৰ উত্থাপনৰ জৰিয়তে **সু-শাসন** বিষয়টোক বিশেষ গুৰুত্বাৰোপ কৰা হৈছে। গণতন্ত্ৰত আমি তেতিয়ালৈকে সুশাসন আশা কৰিব নোৱাৰো যেতিয়ালৈকে নিৰ্বাচিত লোকসকল প্ৰয়োজনীয় তথা প্ৰাসংগিক শিক্ষাৰে শিক্ষিত নহয়।

সূক্ষ্ম তথা ক্ষুদ্ৰ মধ্যম উদ্যোগসমূহৰ **(MSME's)** বাস্তৱিক ক্ষমতাক বুজি পাবলৈ আমাৰ স্বাধীনতাৰ পিছত **৫৯** বছৰ সময়ৰ প্ৰয়োজন হ'ল আৰু এই বিষয়ে বহুতো চিন্তা-চৰ্চ্চা আৰু তৰ্ক কৰিবলগা হ'ল। এম্‌এচ্‌এম্‌ই-ৰ ওপৰত বিধেয়কখন ২০০৫ চনতহে গৃহীত হ'ল। আমাৰ জিডিপি-ৰ সম্ভৱত ৮০% ইয়াতে আছে।

ভাৰতকো অন্তৰ্ভুক্ত কৰি বিশ্বৰ ৯৯.৭% সংগঠনেই হৈছে এম্‌এচ্‌এম্‌ই। ই যিকোনো ৰাষ্ট্ৰৰ গতি তথা উশাহ। ৪৯০ মিলিয়ন শ্ৰমশক্তিৰ কেৱল ৬% হে সংগঠিত ক্ষেত্ৰৰ আৰু আন ৪৬০ মিলিয়ন বা ৯৪% হৈছে অসংগঠিত ক্ষেত্ৰৰ। অনুমান মতে সূক্ষ্ম আৰু ক্ষুদ্ৰ মধ্যম উদ্যোগসমূহৰ মূল সংখ্যা হৈছে ২০০ মিলিয়ন। তাৰ ভিতৰৰ ৮০% হৈছে কৃষি আৰু বাগিচা বা বাগানৰ আৰু বাকী ২০% হৈছে সেৱা আৰু নিৰ্মাণ বিভাগৰ।

সংস্থাপন বৃদ্ধিৰ কাৰণে ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ বা ভিইটি আৰু এম্‌এচ্‌এম্‌ই-ৰ মহত্বক বিশেষ গুৰুত্বাৰোপ কৰাৰ লগতে বিশ্লেষণ কৰা হৈছে। শেহতীয়া চিআইআই-বিচিজি-প্ৰফেচৰ চি কে প্ৰহলাদ প্ৰজেক্ট **ইণ্ডিয়া @ ৭৫** অনুসৰি, ২০২২ চনলৈকে দেশক ৫০০ মিলিয়ন বিশ্বস্তৰীয় স্নাতকৰ আৱশ্যক হ'ব।

এই কিতাপখনৰ বিকাশৰ ইতিহাস নাটকীয়। অধিক জানিবৰ কাৰণে অনুগ্ৰহ কৰি **৮** নং পৃষ্ঠা চাব।

**পৰিৱৰ্ত্তনেই হৈছে একমাত্ৰ স্থিৰ বস্তু।** এয়া ভালৰ কাৰণে নে বেয়াৰ কাৰণে হৈছে সেয়া বিচাৰ কৰাতো পাঠকসকলৰ ওপৰত নিৰ্ভৰ কৰিব।

কৃষণ খান্না
*মুম্বাই, ভাৰত*
এপ্ৰিল, ২০১৪

**দাবী পৰিত্যাগ:-**
এই কিতাপত উল্লেখিত সকলো তথ্য যোৱা ২০ বছৰৰ ভিতৰত ভাৰত আৰু ভাৰতৰ বাহিৰৰ বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা হৈছে।
ইয়াত সন্নিবিষ্ট তথ্যৰ সঠিকতা সম্পৰ্কে *i Watch*-এ কোনো ধৰণৰ আইনমূলক দায়িত্ব স্বীকাৰ নকৰে।
এই কিতাপত উল্লেখিত তথ্যৰ ওপৰত নিৰ্ভৰ কৰি কোনো বিনিয়োগ বা ব্যৱসায়িক সিদ্ধান্ত লবলৈ আমি পৰামৰ্শ নিদিওঁ।
বেছি সংখ্যক তথ্যৰ উৎস সম্পৰ্কে বিস্তৃতভাৱে ৯২ পৃষ্ঠাত উল্লেখ কৰা হৈছে।
নবীনতম তথ্য তথা বাতৰিৰ বাবে ৯২ পৃষ্ঠাত উল্লেখিত নতুন ৱেবচাইট আৰু হাতপুথি চাবৰ কাৰণে পৰামৰ্শ দিয়া হ'ল।

**ভাৰতৰ মাননীয় নাগৰিকসকল**
পুৰুষ, স্ত্ৰী আৰু শিশুসকল

# সন্মিলিত বিকাশৰ মন্ত্ৰ: মানৱ সম্পদৰ *ওপৰত ধ্যান কেন্দ্ৰিত কৰক*

প্ৰিয় বন্ধুসকল,

আমি এটা পৰিয়ালৰ পুঁজিৰে পোষিত ২১ বৰ্ষীয় এটা এন্‌জিঅ' (NGO) আৰু আমি বৰ্ত্তমান শাসন, শিক্ষা, অৰ্থনীতি আৰু কৰ্ম সংস্থান বিষয়ক ক্ষেত্ৰত কৰ্মৰত। মোৰ কিতাপ ''**ভাৰতৰ-ৰূপান্তৰ**'' আমাৰ ৱেবচাইট www.wakeupcall.org ৰ পৰা বিনামূলীয়াকৈ ডাউনলোড কৰিব পাৰিব। মোৰ ৬ বছৰ জাৰ্মানী আৰু জাপানত কাম কৰাৰ সৌভাগ্য ঘটিছিল। এই দুয়োখন দেশেই দ্বিতীয় বিশ্বযুদ্ধত ধ্বংস হৈ গৈছিল। তথাপিও দেশদুখন বিশ্বৰ দ্বিতীয় তথা তৃতীয় বৃহৎ অৰ্থব্যৱস্থালৈ নিজকে উন্নীত কৰিবলৈ সক্ষম হ'ল আনহাতে যদিও তেওঁলোকৰ ওচৰত কয়লা, তেল বা গেছৰ দৰে কোনো খনিজ পদাৰ্থ বা শক্তিৰ ভাণ্ডাৰ নাই। দেশ দুখন ভাৰতৰ আকাৰৰ মাত্ৰ ১২ শতাংশ। **তেওঁলোকৰ ওচৰত উচ্চ মানৰ মানৱ সম্পদ আছে।** সেইটোৱেই তেওঁলোকৰ সফলতাৰ ৰহস্য। এই একেটা কথাই এছিয়াৰ বাঘৰূপে খ্যাত চীন, দক্ষিণ কোৰিয়া, তাইৱান, হংকং, চিংগাপুৰ, মালয়েছিয়া আৰু জাপানৰ ক্ষেত্ৰতো প্ৰযোজ্য।

মোৰ ৩১ বৰ্ষীয় ব্যৱসায়িক অভিজ্ঞতা আৰু ২০ বছৰ ধৰি সামাজিক ক্ষেত্ৰখনৰ লগত থকা সম্পৰ্কৰ ওপৰত ভিত্তি কৰি বিনম্ৰতাপূৰ্ব্বক ক'বলৈ বিচাৰিছো যে পূৰ্বৰ চৰকাৰ সমূহে বহুত্যে কাম কৰিছে, কিন্তু নিম্নলিখিত বিষয় সমূহৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হ'লে আৰু বহুতো কাম কৰিব পৰাতো সম্ভৱপৰ হ'লহেঁতেন।

১. **কেন্দ্ৰ চৰকাৰৰ সকলো ৱেবচাইটক ১২ টা প্ৰধান ভাৰতীয় ভাষালৈ ৰূপান্তৰিত কৰা:-** ভাৰতৰ আঞ্চলিক সংবাদ মাধ্যম ইংৰাজী-মাধ্যমতকৈ ২০ গুণ ডাঙৰ আৰু সেয়েহে ইয়াৰ দ্বাৰা গৰিষ্ঠসংখ্যক মানুহেই ভালদৰে কথাবোৰ বুজিবলৈ সক্ষম হ'ব আৰু চৰকাৰৰ লগত কাম কৰিবলৈ উপযুক্ত হ'ব (কেৱল ৬% ভাৰতীয় লোকেহে ইংৰাজী বুজি পায়। আমাৰ এন্‌জিঅ' ১২ টা ভাৰতীয় ভাষাত প্ৰকাশ হয়)। এই সম্পৰ্কে দ আইএন্‌এচ্, ৰফি মাৰ্গ, দিল্লীৰ ''ইণ্ডিয়ান নিউজপেপাৰ চচাইটি হেণ্ডবুক'ৰ পৰা অতিৰিক্ত বিৱৰণ পোৱা যাব। আনকি গুগল (Google), অৰেকল (Oracle) আৰু মাইক্ৰচফ্‌টৱেও (Microsoft) ৯ ৰ পৰা ১৫ টা ভাৰতীয় ভাষা ব্যৱহাৰ কৰে। ভাৰতৰ সংবিধানে ২২টা ভাষাক স্বীকৃতি দিছে।

২. **প্ৰাক-প্ৰাথমিক, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ ওপৰত গুৰুত্বাৰোপ:-** স্বাধীনতাৰ ৬৫ বছৰৰ পিছতো ৬৫% ভাৰতীয়ই হৈছে নিৰক্ষৰ। (এয়া আমাৰ অনুমান অনুসৰি, অনুগ্ৰহ কৰি ইউএনডিপি (UNDP)-ৰ লগতো চালি জাৰি চাই ল'ব) মানুহে যদি পঢ়িব আৰু লিখিব নোৱাৰে, দৰিদ্ৰতা হ্ৰাস কৰাতো সম্ভৱপৰ নহয়। মানুহৰ মগজুৰ ৯০% বিকাশ ৬ বা ৭ বছৰৰ ভিতৰত হয়। সেয়েহে প্ৰাক প্ৰাথমিক শিক্ষা খুবেই প্ৰয়োজনীয়।

৩. **উদ্যোগীকৰণৰ বিকাশৰ কৌশলসমূহৰ ওপৰত মনোযোগ - ই ইউ (EU)-ত ইয়াৰ আৰম্ভ প্ৰথম শ্ৰেণীৰ পৰাই হয়।** ভাৰতত অতি কমেও অষ্টম শ্ৰেণী বা নহ'লে মাধ্যমিক স্কুলৰ পৰা আৰম্ভ কৰা উচিত। কোনো লোক স্বনিযুক্ত হওক বা আনৰ ওচৰত নিযুক্ত হওক; এই গুণ বহুত প্ৰয়োজনীয়। **প্ৰায় ৫৮% ভাৰতীয় লোকেই স্বনিযুক্ত। ইএচ্‌ডি (উদ্যোগিক কৌশলৰ বিকাশ)-ৰ দ্বাৰা শিঁকোতাজনৰ এচ্‌কিউ (SQ) আৰু ইকিউ (EQ)-ৰ উন্নতি সাধন হয়।**

৪. **দক্ষতা, ব্যৱসায়িক প্ৰশিক্ষণ তথা কৰ্ম সংস্থাপন বৃদ্ধি কৰিব পৰা আঁচনিৰ ওপৰত মনোযোগ।** ভাৰতত (জনসংখ্যা ১২১০ মিলিয়ন ১৫০০ সংখ্যক ভিইটি (ব্যৱসায়িক শিক্ষা তথা প্ৰশিক্ষণ) কেন্দ্ৰ আছে। চুইজাৰলেণ্ডত (জনসংখ্যা ৮ মিলিয়ন) ৬০০০ সংখ্যক, জাৰ্মানীত (জনসংখ্যা ৮২ মিলিয়ন) ১,০০,০০০ সংখ্যক, জাপানত (জনসংখ্যা ১২৯ মিলিয়ন) ১,৫০,০০০ সংখ্যক, চীনত (জনসংখ্যা ১৩৫০ মিলিয়ন) ৫,০০,০০০ সংখ্যক কেন্দ্ৰ আছে। যেতিয়া ১৮৩৫ চনত লৰ্ড মেকৰলিয়ে ভাৰতৰ গুৰুকুল **কেন্দ্ৰ সমূহ** বন্ধ কৰি দিলে, তেতিয়াৰ পৰাই আমাৰ দেশত কৌশল আৰু ব্যৱসায়িকতা বিকাশৰ গাঁঠনিৰ খুবেই অভাৱ হোৱা হ'ল। **ভিইটি (VET) য়ে এচ্‌কিউ আৰু ইকিউ ৰ উন্নতি সাধন কৰে।**

৫. নেচনেল **নলেজ কমিচনৰ চাম পিট্ৰোদাৰ অনুমোদনৰ কাৰ্য্যকৰীকৰণ।** এন্‌কেচি-য়ে (NKC) ভাৰতৰ সকলো ধৰণৰ **উচ্চতৰ, কাৰিকৰী, চিকিৎসা আৰু কৃষি** শিক্ষা সম্পৰ্কে এক বৈধ পৰামৰ্শ আগবঢ়াইছে। যিমান সোনকালে সম্ভৱ এইসমূহ কাৰ্য্যকৰী হোৱাতো নিত্যান্তই প্ৰয়োজনীয়। বৰ্ত্তমান এখনো ভাৰতীয় মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ে বিশ্বৰ শ্ৰেষ্ঠ ২৫০ খনৰ ভিতৰত স্থান লাভ কৰিব পৰা নাই। যি ধৰণে আমি আগবাঢ়ি গৈ আছো, অহা ১০ বছৰত আমি বিশ্বৰ ৫০০ খন শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ৰ মাজতো স্থান লাভ কৰিব নোৱাৰিম। **একমাত্ৰ প্ৰতিযোগিতা আৰু মুক্ত বজাৰেহে আমাৰ শিক্ষানুষ্ঠানসমূহক অভিযোজন, গৱেষণা তথা নিজ মানদণ্ড আন্তঃৰাষ্ট্ৰীয় স্তৰলৈ উন্নীত কৰিবৰ কাৰণে উদগনি যোগাব পাৰিব।** জ্ঞানৰ দেৱী সৰস্বতীক শিকলিৰে বান্ধি থোৱা আছে, দেৱীক মুক্তি দিয়াতো নিতান্তই প্ৰয়োজনীয়।

৬. ***i Watch* এ প্ৰযুক্তি বিষয়ক শিক্ষা, ব্যৱসায়িক প্ৰশিক্ষণ আৰু উদ্যোগীক দক্ষতাৰ বাবে আগবঢ়োৱা সমাধান।** আমি স্কুলীয়া শিক্ষাৰ কাৰণে ভাৰতত নিৰ্মিত সুলভ মূল্যৰ উন্নতমানৰ প্ৰযুক্তিবিদ্যা আগবঢ়াইছো **(প্ৰতি বছৰ ১০০ টকা প্ৰতি শিক্ষাৰ্থীৰ পৰা)**, বিনিময়ধৰ্মী দূৰত্ব শিক্ষা সম্পৰ্কীয় সকলো ধৰণৰ শিক্ষা আৰু প্ৰশিক্ষণ আগবঢ়াইছো (এজন এজনকৈ সকলো শিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়াৰ বাবদ এঘন্টাত প্ৰতি শিক্ষাৰ্থীৰ পৰা **২ টকা**), **উদ্যোগীক দক্ষতাৰ বিকাশ** আৰু **ব্যৱসায়িক প্ৰশিক্ষণ**ৰ সমাধান আগবঢ়াইছো। বিস্তৃতভাৱে জানিবলৈ আমাৰ চিএচ্‌আৰ (CSR) টোকা চাওক।

# **প্ৰাসংগিক শিক্ষা আৰু ব্যৱসায়িক প্ৰশিক্ষণৰ** যোগেদি আৰ্থিক বৃদ্ধি বৰ্তাই ৰখা উচিত

যিমান দূৰলৈকে ভাৰতবৰ্ষৰ কথা জড়িত হৈ আছে, ওপৰত উল্লেখিত বিষয়বস্তুৰ ওপৰত সদায় নিৰন্তৰ কাম কৰি যাব লাগিব।

তলত দুটা উদাহৰণ দিয়া হৈছে। ই দেশৰ অৰ্থনীতিৰ বিকাশ বৰ্তাই ৰাখিবৰ কাৰণে **মানব সম্পদৰ বিকাশ, আনুসংগিক শিক্ষা আৰু দক্ষতাৰ** প্ৰয়োজনীয়তাক আৰু মজবুত কৰি তুলিব যাক ব্যৱসায়িক প্ৰশিক্ষণৰ দ্বাৰা লাভ কৰিব পৰা যাব।

২০০৭ চনৰ অক্টোবৰ মাহত দক্ষিণ কোৰিয়াৰ শিক্ষা মন্ত্ৰালয়ে মোক উন্নয়নশীল দেশৰ কাৰণে ''ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ (VET)'' সম্পৰ্কীয় এখন অধিবেশনত অধ্যক্ষতা কৰিবলৈ আমন্ত্ৰণ কৰিছিল।

এয়া গ্ল'বেল এইচ্ আৰ ফ'ৰামৰে অংশ আছিল য'ত ৫০ খন দেশৰ প্ৰায় ১২০০ শিক্ষা বিশেষজ্ঞই ভাগ লৈছিল, ইয়াত অংশগ্ৰহণ কৰা আনজন ভাৰতীয় আছিল আইআইটি মাদ্ৰাজৰ সঞ্চালক প্ৰফেচৰ অনন্ত।

দক্ষিণ কোৰিয়াৰ উপ-প্ৰধানমন্ত্ৰীয়ে এই গ্ল'বেল ফ'ৰাম খনৰ উদ্বোধন কৰিছিলে। প্ৰায় ৫০ বছৰৰ আগতে দক্ষিণ কোৰিয়াৰ লোকসকল ভাৰতীয় লোকসকলৰ সমানেই দুখীয়া আছিল।

দক্ষিণ কোৰিয়াই জাপান আৰু জাৰ্মানীৰ ফালে লক্ষ্য কৰিলে যি দুখন দেশৰ ওচৰতো তেওঁলোকৰ দৰেই (যিটো ভাৰতৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়) খনিজ পদাৰ্থ আকৰ, কয়লা আৰু গেছ, তেল, আন হাইড্ৰ'কাৰ্বন ৰূপী শক্তিৰ পৰিমাণ একেবাৰে কম আছিল। তথাপি দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত সম্পূৰ্ণৰূপে ধ্বংস হৈ যোৱাৰ পিছতো তেওঁলোকে ইমান দ্ৰুতগতিত উন্নতি কৰি আছিল।

দক্ষিণ কোৰিয়াই উপলব্ধি কৰিলে যে ইয়াৰ মূল কাৰণ হৈছে **ব্যৱসায়িক প্ৰশিক্ষণৰ দ্বাৰা আনুসংগিক শিক্ষা আৰু দক্ষতা গঠন।**

দক্ষিণ কোৰিয়াই উপ প্ৰধানমন্ত্ৰীৰ এক পদবী গঠন কৰিলে যাৰ **মুখ্য দায়িত্ব** হৈছে মোৰ মতে মানৱ সম্পদৰ বিকাশ, শিক্ষা আৰু দক্ষতা গঠন।

আজি, ৫০ বছৰৰ পিছত এজন সাধাৰণ দক্ষিণ কোৰিয়াৰ লোকৰ এবছৰৰ গড় আয় হৈছে প্ৰায় ২৩,৮২৩ ইউএচ্ ডলাৰ আনহাতে তুলনামূলকভাৱে এজন সাধাৰণ ভাৰতীয় লোকৰ গড় আয় হৈছে ১৫৩০ ইউ এচ্ ডলাৰ।

**ভাৰতত আমাৰ বাবে ইয়াত এটা বাৰ্তা নাইনে?** এইবাৰ দ্বিতীয়টো উদাহৰণ চাওঁ আহক যিটো সাম্প্ৰতিককালৰ।

এখন ৰাষ্ট্ৰ হিচাপে ২০২২ চনত আমি ক'ত থাকিম? নাইবা আমাৰ স্বাধীনতাৰ ৭৫ সংখ্যক বছৰটোত বা **ভাৰত @ ৭৫?** ভাৰতীয় উদ্যোগ সংগঠন বা **চিআইআই** য়ে বিশ্ববিখ্যাত ব্যৱস্থাপনা গুৰু **প্ৰফেচৰ চিকে প্ৰহ্লাদৰ** সৈতে মিলি **ভাৰত @ ৭৫** নামৰ এখন যোজনা তৈয়াৰ কৰিছে। ৭৪ খন ৰাষ্ট্ৰীয় কমিটীৰ মাজৰ পৰা **শিক্ষা, দক্ষতা** আৰু **মানৱ সম্পদ** সম্পৰ্কীয় যিকেইখন কমিটী আছে সেইকেইখন আৰু **যুৱকসকলে** ইয়াৰ প্ৰাৰম্ভিক কাম কাজ কৰি আছে।

প্ৰফেচৰ প্ৰহ্লাদে খুব স্পষ্টকৈ বুজিছিল যে **জনসাধাৰণৰ সবলীকৰণৰ** দ্বাৰাই বিশেষকৈ শিক্ষা, দক্ষতা গঠন আৰু ব্যৱসায়িক প্ৰশিক্ষণৰ জৰিয়তে ভাৰতৰ যুৱসমাজক প্ৰশিক্ষিত কৰিলেহে ২০২২ চনলৈকে আমি এখন ৰাষ্ট্ৰ হিচাপে নিজৰ প্ৰমুখ লক্ষ্যসমূহত উপনীত হ'ব পাৰিম।

আঁচনিখনৰ উদ্দেশ্য হৈছে ২০২২ চনলৈকে বিভিন্ন ক্ষেত্ৰত ৫০০ মিলিয়ন পাৰদৰ্শী লোক আৰু ২০০ মিলিয়ন বিভিন্ন বিষয়ৰ বিশ্বস্তৰীয় স্নাতক লাভ কৰা।

ভাৰতৰ শিক্ষা, অৰ্থনীতি, শাসন আৰু কৰ্ম সংস্থাপন বৃদ্ধি সম্পৰ্কে www.wakeupcall.org ত অধিক তথ্য লাভ কৰিব পাৰিব। নতুবা আনুসংগিক শিক্ষা আৰু ব্যৱসায়িক প্ৰশিক্ষণৰ মাধ্যমেৰে ভাৰতৰ জনসাধাৰণৰ সবলীকৰণৰ যোগেদি **ভাৰতৰ ৰূপান্তৰ** নামৰ কিতাপখনৰ পৰা লাভ কৰিব পাৰিব।

# এই কিতাপখনৰ বিকাশৰ ইতিহাস

১৯৯৩ চনত আমি ৪ পৃষ্ঠাৰ এখন পুস্তিকাৰে আৰম্ভ কৰিছিলো।

১৯৯৭ চনত এইখন ৮ পৃষ্ঠালৈ বৃদ্ধি পালে যিখন ১০ টা ভাৰতীয় ভাষালৈ অনুবাদ কৰা হ'ল।

১৯৯৯ চনত কিতাপখন১৬ টা পৃষ্ঠালৈ সম্প্ৰসাৰণ কৰা গ'ল, ২০০১ চনত ২৪ পৃষ্ঠালৈ, ২০০২ চনত ২৮ পৃষ্ঠালৈ, ২০০৪ চনত ৩২ পৃষ্ঠালৈ, ২০০৫ চনত ৩৬ পৃষ্ঠালৈ, ২০০৬ চনত ৪৮ পৃষ্ঠালৈ আৰু ২০০৭ চনৰ জানুৱাৰী মাহত ৫৬ পৃষ্ঠালৈ সম্প্ৰসাৰিত কৰা হ'ল।

২০০৮ চনৰ জুলাই মাহত কিতাপখন পুনৰ ৮৮ পৃষ্ঠালৈ সম্প্ৰসাৰণ কৰা হ'ল আৰু ২০০৯ চনৰ জানুৱাৰী মাহত ৯২ পৃষ্ঠালৈ আৰু ২০০৯ চনৰ অক্টোবৰ মাহত ৯৬ পৃষ্ঠালৈ বৃদ্ধি কৰা হ'ল।

২০১১ চনৰ ফেব্ৰুৱাৰী মাহত ১০০ পৃষ্ঠালৈ বৃদ্ধি কৰা হ'ল।

২০১২ চনৰ ফেব্ৰুৱাৰী সংস্কৰণত ১০২ পৃষ্ঠালৈ বৃদ্ধি কৰা হ'ল। বৰ্ত্তমান ২০১৪ চনৰ এপ্ৰিল মাহৰ সংস্কৰণত ১০৪ পৃষ্ঠালৈ বৃদ্ধি কৰা হ'ল।

''**ভাৰতৰ ৰূপান্তৰ**'' শীৰ্ষক এই কিতাপখন ইংৰাজী আৰু ১২ টা ভাৰতীয় ভাষা যেনে অসমীয়া, বাংলা, গুজৰাটী, হিন্দী, কানাড়া, মালয়ালম, মাৰাঠী, উড়িয়া, পঞ্জাবী, তামিল, তেলেগু আৰু উৰ্দুতো পোৱা যায়।

আমি সদায় এই চাৰিটা ক্ষেত্ৰতে গুৰুত্ব দি আহিছো।

১ **শাসন** ........ *India 1st*

২ **শিক্ষা আৰু মানৱ সম্পদৰ উন্নয়ন** ........ *Education 1st*

৩ **অৰ্থনীতি আৰু উদ্যোগ** ........ *Economy 1st*

৪ **কৰ্ম সংস্থান বৃদ্ধি** ........ *Employment 1st*

ওপৰত উল্লেখ কৰাৰ দৰে *i Watch*-ত চাৰিটা বিভাগ আছে যেনে - *India 1st*, *Education 1st*, *Economy 1st* আৰু *Employment 1st* প্ৰথম তিনিটা বিভাগত প্ৰত্যেকৰে দহ, বাৰ আৰু ন টা প্ৰৱন্ধ আছে আৰু চতুৰ্থ বিভাগটোত ষোলটা প্ৰৱন্ধ, সৰ্বমুঠ ৪৭ টা টোকা বা প্ৰৱন্ধ তথা অৱলোকন আছে।

পাঠকৰ সুবিধাৰ্থে প্ৰত্যেকটো পৃষ্ঠাৰ অন্তত উপৰোক্ত চাৰিটা বিভাগৰ ভিতৰত কোনটো বিভাগত লিখনীখিনি অৰ্ন্তভুক্ত হয়, তাক বৰ্গীকৰণ কৰা হৈছে।

যেতিয়া চাৰিটা বিভাগৰ মাজৰ এটা বিভাগতো তথ্যখিনি অৰ্ন্তভুক্ত কৰিব পৰা নাযায়, তেতিয়া আমি তাক **'সাধাৰণ'** হিচাপে বৰ্গীকৃত কৰিছো।



# চিৰন্তন প্ৰেৰণা

## নোবেল পুৰস্কাৰ বিজেতা - ৰবীন্দ্ৰনাথ ঠাকুৰ

**ভাৰত এখন আদৰ্শ ৰাষ্ট্ৰ হৈ উঠিব পাৰে,**

**যাক ৰবীন্দ্ৰনাথ ঠাকুৰে বঢ়িয়াকৈ বৰ্ণনা কৰিছে:**

*“চিত্ত য’ত ভয়শূন্য, উচ্চ য’ত শিৰ;*

*জ্ঞান য’ত মুক্ত;*

*য’ত গৃহৰ প্ৰাচীৰে নিজৰ প্ৰাঙ্গণত দিবসৰজনী বসুধাক ৰখা নাই খণ্ড ক্ষুদ্ৰ কৰি;*

*য’ত বাক্য হৃদয়ৰ উৎসমুখৰ পৰা উচলি উঠে;*

*য’ত অবাধ স্ৰোতত দেশে দেশে দিশে দিশে কৰ্মধাৰা বয়;*

*অজস্ৰ সহস্ৰবিধ চৰিতাৰ্থতাত;*

*য’ত তুচ্ছ আচাৰৰ মৰু বালুৰাশিয়ে বিচাৰৰ স্ৰোতঃপথ কৰা নাই গ্ৰাস;*

*পৌৰুষক কৰা নাই শতধা, নিত্য য’ত তুমি সৰ্ব কৰ্ম চিন্তা আনন্দৰ নেতা,*

*নিজ হস্তে নিৰ্দয় আঘাত কৰি, পিতা, ভাৰতৰ সেই স্বৰ্গ কৰা জাগৰিত”*

উৎস: *গীতাঞ্জলি কবিতা XXXV*

# এজন নাগৰিকৰ প্ৰয়াস

এজন নাগৰিক, আইআইটি অভিযন্তা এজনৰ তৰফৰ পৰা আনুসংগিক শিক্ষা আৰু ব্যৱসায়িক প্ৰশিক্ষণৰ মাধ্যমেৰে **‘ভাৰতৰ ৰূপান্তৰ’ৰ** সৃষ্টি তথা তাক গতি প্ৰদান কৰাৰ ই এক প্ৰয়াস।

এয়া সকলো লোকৰে কৰ্তব্য। কিছু লোকে ইয়াক অনুভৱ কৰে, কিছু লোকে নকৰে।

দৰকাৰী কথাটো হৈছে আমি ক’ত গুৰুত্ব প্ৰদান কৰা উচিত, সেই সম্পৰ্কে আমাৰ স্পষ্ট জ্ঞান থকাটো প্ৰয়োজনীয়।

পৰৱৰ্ত্তী কথাখিনি এনে ধৰণৰ :-.........................................................................................

এয়া এক অৰাজনৈতিক, অধৰ্মীয়, অখণ্ডীয় প্ৰয়াস যাৰ একমাত্ৰ উদ্দেশ্য হৈছে মানুহক জাগ্ৰত কৰা। পিছত তেওঁলোকে নিজেই সিদ্ধান্ত ল’ব পাৰিব আৰু ভাৰতীয় নাগৰিক সকলৰ মাজত সুপ্তাৱস্থাত থকা সম্ভাৱনাসমূহ, আমি কি কি হেৰুৱাই থৈ আহিলো আৰু এই কামৰ গুৰুত্ব বুজি পাবলৈ সক্ষম হ’ব।

আমি সাধাৰণতে ভাবিব পৰাতকৈ ভাৰতত কৰিবলগীয়া বহুত কিবা-কিবি আছে।

**এই কাম হৈছে মাত্ৰ এটা বীজ। ইয়াৰ বিকাশৰ বাবে বহুতো হাতৰ প্ৰয়োজন হ’ব যাৰ মাজত আপোনাৰ হাতখনো হৈছে এখন।**

# এই কিতাপখনৰ উদ্দেশ্য

আমাৰ সকলোতকৈ ডাঙৰ প্ৰত্যাহ্বান আছিল আনুসংগিক শিক্ষাক ১০০% ব্যৱহাৰিক সাক্ষৰতাৰ ৰূপত প্ৰসাৰ কৰা, ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণক সম্প্ৰসাৰণ কৰা আৰু সকলো প্ৰকাৰৰ প্ৰাক প্ৰাথমিক, প্ৰাথমিক, মাধ্যমিক, উচ্চ, চিকিৎসা আৰু কাৰিকৰী শিক্ষাৰ বৰ্ত্তমানে থকা গাঁঠনিৰ পৰিবৰ্ত্তন আৰু সম্প্ৰসাৰণ কৰা আৰু ভাৰতক অতীজতে থকাৰ দৰে এক আন্তঃৰাষ্ট্ৰীয় শিক্ষাৰ কেন্দ্ৰবিন্দু কৰি তোলা।

যিমান সোনকালে সম্ভৱপৰ হয়, আনুসংগিক শিক্ষা আৰু প্ৰশিক্ষণৰ দ্বাৰা যুৱসমাজৰ সৱলীকৰণ কৰাতো ভাৰতবৰ্ষৰ বাবে নিত্যান্তই প্ৰয়োজনীয়।

এজন ভাৰতীয় লোকৰ গড় আয়ুস হৈছে **২৬** বছৰ।

অগ্ৰাধিকাৰ দিবলগীয়া প্ৰথম কথাটো হৈছে **শিক্ষা আৰু মহিলা তথা বালিকা শিশুৰ সবলীকৰণ।**

# আমি আপোনাৰ কাৰণে কি কৰিব পাৰো?

প্ৰিয় পাঠক, আমি নিম্নলিখিত ক্ষেত্ৰসমূহত আপোনাক সহায় কৰিব পাৰো

## ১. প্ৰকাশন

এই কিতাপখনৰ যোগেদিয়েই আৰম্ভ কৰিছো। অনুগ্ৰহ কৰি পৃষ্ঠা নং ৯৫ ত বিস্তৃতভাৱে উল্লেখ কৰা অন্য **প্ৰকাশনৰ তালিকা** লক্ষ্য কৰক। অনুগ্ৰহ কৰি লক্ষ্য কৰিব যে ১০৪ পৃষ্ঠাৰ এই কিতাপখন **১২ টা ভাৰতীয় ভাষা** যেনে হিন্দী, উৰ্দু, পঞ্জাবী, অসমীয়া, বাংলা, উড়িয়া, গুজৰাটী, মাৰাঠী, তামিল, তেলেগু, কানাড়া, আৰু মালয়ালম আদিতো পোৱা যায়। ভাৰতৰ জনসংখ্যাৰ মাত্ৰ ৭% লোকেহে ইংৰাজী বুজি পায়।

## ২. বিনিময়ধৰ্মী কৰ্মশালা

আমি নিম্নলিখিত বিষয়সমূহৰ ওপৰত বিনিময় ধৰ্মী কৰ্মশালা আয়োজিত কৰো যাৰ বিস্তৃত বিৱৰণ ৯১ নং পৃষ্ঠাত দিয়া গৈছে। ''ভাৰতৰ বাবে আনুসংগিক **উৎপাদনৰ আঁচনি**'', ''আনুসংগিক **শিক্ষা আঁচনি**'', ''**গোলকীকৰণ** আৰু কেনেদৰে ভাৰতবৰ্ষই বছৰি ১০% হাৰত উন্নতি কৰিব পাৰে'', ''**সুশাসন** আৰু ই কেনেদৰে নাগৰিকৰ উন্নতি সাধিব পাৰে'', ''প্ৰতি বছৰ ১০ নিযুত মানুহৰ কাৰণে **সংস্থাপন সৃষ্টি**'', ''মহাবিদ্যালয়ৰ শিক্ষা সমাপ্ত হোৱাৰ পিছত কেনেদৰে পইচা উপাৰ্জন কৰিব পাৰি'', ''শিক্ষাৰ মাধ্যমেৰে **ভাৰতৰ ৰূপান্তৰ**''।

## ৩. শিক্ষক, অভিভাৱক আৰু যুৱক-যুৱতীসকলৰ মানসিক চিন্তাধাৰালৈ পৰিবৰ্ত্তন অনা।

অনুগ্ৰহ কৰি পৰিকল্পনা ১ আৰু ২ সম্পৰ্কীয় বিস্তৃত বিৱৰণ ৯৭ নং পৃষ্ঠাত চাওক। কেৱল পৰিকল্পনাসমূহৰ বিষয়েই নহয় ইয়াৰ ইতিবাচক প্ৰভাৱৰ বিষয়েও ইয়াত বিস্তৃতভাৱে বৰ্ণনা কৰা হৈছে।

## ৪. আনুসংগিক তথ্যৰ যোগান

অনুগ্ৰহ কৰি আমাৰ ৱেবচাইট www.wakeupcall.org চাওক। ভাগ ১ ত উল্লেখ কৰাৰ দৰে আমাৰ সকলো প্ৰকাশন, ৯২ নং পৃষ্ঠাত বিস্তৃতভাৱে উল্লেখিত তথ্যসমূহৰ উৎসৰ তালিকা লক্ষ্য কৰিলে দেখা পাব যে আমি আপোনাৰ কাৰণে বহুতো আনুসংগিক তথ্য বিচাৰি উলিয়াইছো তথা সহজভাৱে পঢ়িব আৰু বুজিব পৰাকৈ গঠন কৰিছো। বছৰত এবাৰকৈ যিমানদূৰ সম্ভৱ আমাৰ সকলো তথ্য নবীকৰণ কৰা হয়।

## ৫. ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ স্থাপনা

ভাৰতৰ ভিতৰৰে কিছুসংখ্যক বৃহৎ প্ৰতিষ্ঠানৰ সৈতে আমি কাম কৰোঁ যি প্ৰতি বছৰে একেলগে বৃহৎ সংখ্যক লোকক প্ৰশিক্ষণ দিয়ে। আমি তেওঁলোকৰ **জ্ঞানৰ সংগী।** প্ৰযুক্তি বিদ্যা ব্যৱহাৰ কৰি, সঠিক প্ৰশিক্ষণ কেন্দ্ৰৰ দ্বাৰা, প্ৰত্যেক স্থানীয় অঞ্চলত ব্যৱসায় আৰু উদ্যোগৰ সৈতে তেনে প্ৰশিক্ষণ কেন্দ্ৰৰ সন্মিলনৰ দ্বাৰা, সঠিক প্ৰশিক্ষণৰ বাবে প্ৰশিক্ষিত প্ৰশিক্ষক আৰু শিক্ষক নিযুক্ত কৰি, প্ৰশিক্ষিত লোকসকলৰ পৰীক্ষা আৰু প্ৰমাণীকৰণ, প্ৰশিক্ষণৰ আগতে দিহা পৰামৰ্শ আৰু প্ৰশিক্ষণৰ পিছত নিযুক্তিকৰণ আদিৰ উপৰিও আমি ভাৰতৰ যিকোনো ভৌগোলিক ক্ষেত্ৰ বা জিলাৰ যুৱক যুৱতী সমূহৰ ওপৰত আমি অতিকৈ গুৰুত্ব দিওঁ। বৰ্ত্তমান আমি কৃষি উৎপাদন আৰু সেৱা বিভাগত ভিইটি পাঠ্যক্ৰমৰ অৰ্ন্তভুক্তি আৰু ভাৰতৰ সকলো ঠাইতে ইয়াৰ কেন্দ্ৰ স্থাপনৰ ওপৰত মনোযোগ দি আছো। সবিশেষ অনুৰোধ ক্ৰমে জানিব পাৰিব।

# *i Watch* ৰ কেন্দ্ৰীভূত দিশসমূহ

## শিক্ষা

**আমি এই ক্ষেত্ৰত কাম কৰো কাৰণ...**

১. প্ৰাক প্ৰাথমিকৰ পৰা দ্বাদশ শ্ৰেণীলৈকে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ হাৰ হ'ল ৮৭ শতাংশৰ পৰা ৯৩%। ইয়াৰ ভিতৰত সেইসকলো অৰ্ন্তভুক্ত আছে যি কেতিয়াও বিদ্যালয়লৈ যোৱাই নাই।

২. উচ্চশিক্ষা, চিকিৎসা আৰু কাৰিকৰী শিক্ষাৰ ওপৰত থকা নিয়ন্ত্ৰণ আৰু লাইচেন্স ৰাজ, ৰোধিত উন্নতি, গৱেষণা আৰু বিকাশ, গুণগত মান আৰু সক্ষমতা।

৩. ভাৰতৰ বিশ্ববিদ্যালয়সমূহত স্থানৰ আৰু উন্নত শিক্ষাৰ অভাবৰ কাৰণে ভাৰতীয় শিক্ষাৰ্থী সকলে ভাৰত এৰি বিদেশৰ বিশ্ববিদ্যালয়লৈ যোৱাৰ বাবে প্ৰতি বছৰে প্ৰায় ৫০,০০০ কোটি বা ইউএচ ডলাৰ ১০ ৰ পৰা ১২ বিলিয়ন টকা ভাৰতৰ পৰা বাহিৰলৈ ওলাই যায়। এই পুঁজি প্ৰতি বছৰে ৫০ টা আইআইএম আৰু ৩০ টা আইআইটি গঠনৰ বাবে পৰ্য্যাপ্ত। অনুমান অনুযায়ী প্ৰতি বছৰে প্ৰায় ১৫৩,০০০ শিক্ষাৰ্থী শিক্ষা গ্ৰহণৰ বাবে বিদেশলৈ যায়। ৫০ শতাংশই স্নাতকোত্তৰ পাঠ্যক্ৰম আৰু বাকী ৫০ শতাংশই চাৰি বছৰীয়া প্ৰাকস্নাতক পাঠ্যক্ৰম বাচি লয়।

৪. চৰকাৰী তথ্যমতে উল্লেখিত ৬৭ শতাংশৰ বিপৰীতে ব্যৱহাৰিক সাক্ষৰতাৰ হাৰ প্ৰায় ৩৩% বুলি ভবা হৈছে। আনহাতে চীনদেশত এই হাৰ প্ৰায় ৯৩%।

৫. প্ৰতিভাৰ অপৰ্য্যাপ্ত বিকাশ। যিকোনো সংগঠিত ক্ষেত্ৰত শ্ৰমশক্তিৰ মাত্ৰ ০.৫ শতাংশকহে প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ বিপৰীতে আপেক্ষিক হাৰ হৈছে ৭ ৰ পৰা ১০ শতাংশ যি চীন আৰু আন আন উন্নত দেশসমূহত দেখা পোৱা যায়।

৬. ভাৰতত ২৭,০০০ বিদেশী শিক্ষাৰ্থী আছে আনহাতে অষ্ট্ৰেলিয়াত থকা বিদেশী শিক্ষাৰ্থীৰ সংখ্যা হৈছে ৪০০,০০০।

৭. ভাৰতত ১.৭ মিলিয়ন স্কুল আছে। আনহাতে চীনদেশত থকা স্কুলৰ সংখ্যা হৈছে ২.৫ মিলিয়ন।

৮. ভাৰতত ৫৬৩ খন বিশ্ববিদ্যালয় আছে; আনহাতে চীনত ১১০০ বিশ্ববিদ্যালয় আছে।

৯. প্ৰাক-প্ৰাথমিক শিক্ষাক গুৰুত্ব দিয়া নহয়। মানুহৰ ৯০% মানসিক বিকাশ ১ ৰ পৰা ৬ বছৰৰ ভিতৰত হয়।

## শাসন

**আমি এই ক্ষেত্ৰত কাম কৰো কাৰণ...**

১. দেশখন চলাবলৈ প্ৰতিদিনে ৩৫ খন ৰাজ্য আৰু কেন্দ্ৰ শাসিত প্ৰদেশে ৩,৬০০ কোটি টকা বা ০.৭২ বিলিয়ন ইউএচ্ ডলাৰ খৰচ কৰে। নাগৰিকসকল সুখীনে?

২. ভাৰতৰ বাবে এফ্ডিআই (FDI) ষ্টক মাত্ৰ ১২১ বিলিয়ন ইউএচ্ ডলাৰ, আনহাতে য'ত চীনদেশ আৰু হংকঙৰ বাবে এয়া ১৯২০ বিলিয়ন ইউএচ্ ডলাৰ।

৩. ভাৰতলৈ অহা পৰ্য্যটকৰ সংখ্যা হৈছে প্ৰতি বছৰে কেৱল ৬ মিলিয়ন আনহাতে চীনৰ ক্ষেত্ৰত এই সংখ্যা হৈছে ৮০ মিলিয়ন।

৪. চীনদেশৰ ৮.০% ৰ বিপৰীতে ভাৰতৰ ক্ষেত্ৰত বিশ্ব বাণিজ্যৰ হাৰ হৈছে ২.২%।

৫. চীন দেশৰ কৃষি উৎপাদনৰ তুলনাত ভাৰতত উৎপাদনৰ পৰিমাণ হৈছে ৪০%।

৬. চীনদেশত মানুহৰ আয়ুস ৭৪ বছৰ আনহাতে ভাৰতত মানুহৰ আয়ুস ৬৭ বছৰহে।

৭. ভাৰতৰ বিদ্যুৎ পৰিষদৰ ট্ৰান্সমিচন তথা আন আন হানিৰ বাবে ২৫ ৰ পৰা ৫০% লোকচান হয় আনহাতে চীনদেশৰ ক্ষেত্ৰত এইহাৰ ৬ ৰ পৰা ৮ শতাংশ।

৮. ভাৰতৰ বাবে সংৰক্ষিত বিদেশী বিনিয়োগ হৈছে প্ৰায় ২৯৫ বিলিয়ন ইউএচ ডলাৰ আনহাতে চীনদেশৰ বাবে হ'ল ২১৯৯ বিলিয়ন ইউএচ ডলাৰ।

৯. ভাৰতত এইচ্আইভি/এইডচ্ত আক্ৰান্ত লোকৰ সংখ্যা হ'ল প্ৰায় ৫ মিলিয়ন আনহাতে চীনত এই সংখ্যা হৈছে ০.৪৫ মিলিয়ন।

১০. নিম্নমানৰ খেতি ব্যৱস্থাপনাৰ বাবে ৪০% ফল আৰু শাক পাচলি নষ্ট হয় বা নষ্ট কৰি পেলোৱা হয়।

১১. ভাৰতত যথেই বৰষুণ হয় পিছে নিম্নমানৰ জল ব্যৱস্থাপনাৰ বাবে আমাৰ বানপানী বা খৰাং হয়।

## অৰ্থনীতি

**আমি এই ক্ষেত্ৰত কাম কৰো কাৰণ...**

১. বৰ্ত্তমানৰ বিশ্ব অৰ্থব্যৱস্থাত শ্ৰম আইনে ভাৰতীয় সংগঠন সমূহক সমান স্তৰত আগবাঢ়ি যাবলৈ সুবিধা নিদিয়ে।

২. সংস্থাপন বৃদ্ধি বাধাগ্ৰস্ত হয় কাৰণ আমি শ্ৰমকেন্দ্ৰিক ব্যৱসায়তকৈ পুঁজি কেন্দ্ৰিক ব্যৱসায়ক বেছি গুৰুত্ব দিওঁ।

৩. বিশ্ব জিডিপি-ৰ (GDP) মাত্ৰ ২.৬% হে ভাৰতত আছে। ক্ৰয় কৰাৰ সামৰ্থ্য কম। আনহাতে ১৭% ৰ অধিক জনসংখ্যাৰ বাবে প্ৰয়োজনীয়তা অধিক। ইয়াৰ সমাধান হৈছে কেৱল ৰপ্তানি। ৬৬ বছৰ ধৰি এই বিষয়ত বিশেষ গুৰুত্ব দিয়া হোৱা নাই। এচইজেদ্ (SEZ) বোৰ দ্ৰুত গতিত বঢ়াতো জৰুৰী।

<১ বিলিয়ন = ১০০০ নিযুত> <১ নিযুত = ১০ লাখ> <১ কোটি = ১০০ লাখ = ১০ নিযুত > <১ ইউএচ ডলাৰ = ৬০ টকা (ওচৰা-উচৰি)>

৪. ১,২১০ মিলিয়ন লোকৰ বাবে আন্তঃগাথনি খুবেই কম। বহুতো তৰ্ক-বিতৰ্ক কৰা হয় কিন্তু খুব কম কথাহে কাৰ্য্যকৰী কৰা হয়।

৫. বিশ্ব বাণিজ্যৰ বাবে ক্ৰয় শক্তিৰ সমতাৰ (PPP-Purchasing Power Parity) সুবিধাসমূহ ভাৰতে ল'ব লাগে।

৬. তথ্য প্ৰযুক্তিবিদ্যা আৰু চফট্‌ৱেৰ ভাৰতৰ অৰ্থনীতিৰ কেৱল ৫% আৰু বিশ্ব অৰ্থনীতিৰ ৩%। ভাৰতে বিশ্ব অৰ্থনীতিৰ বাকী থকা ৯৭%-ৰ ওপৰত গুৰুত্ব দিব লাগে আৰু ইয়াক বিশ্বমানৰ কৰি তুলিব লাগে।

৭. সৰু মধ্যম উদ্যোগসমূহৰ সুবিধাবোৰ ভালদৰে উপলব্ধি কৰা হোৱা নাই। বৰ্ত্তমানৰ সংজ্ঞা ইইউ, ইউএচ্‌এ, জাপান, চীন ইত্যাদি দেশৰ দৰে বিশ্বমানৰ সমপৰ্য্যায়ৰ নহয়। ভাৰতৰ বাণিজ্যৰ বাবে এইটো এটা ডাঙৰ অসুবিধা কিয়নো পৃথিৱীৰ ৯৯.৭% প্ৰতিষ্ঠানেই ক্ষুদ্ৰ, সৰু মধ্যম উদ্যোগ হয়। ভাৰতৰ জিডিপিৰ কেৱল ৫% লঘু উদ্যোগ আনহাতে ক্ষুদ্ৰ সৰু মধ্যম উদ্যোগ হ'ল প্ৰায় ৭০ ৰ পৰা ৮০%। উদ্যোগ মন্ত্ৰালয়ৰ গুৰুত্ব উদ্যোগৰ পৰা অৰ্থব্যৱস্থালৈ সলনি হোৱা উচিত।

# কৰ্মসংস্থান সৃষ্টি

**আমি এই ক্ষেত্ৰত কাম কৰো কাৰণ...**

১. ভাৰতত ৪৩ মিলিয়ন পঞ্জীভূত নিবনুৱা আছে আৰু হয়তো আন ২৬০ মিলিয়ন লোক যোগ্যতা অনুপাতে নিম্নমানৰ চাকৰি কৰি আছে বা ১৮ ৰ পৰা ৫০ বছৰৰ ভিতৰৰ বহুলোক পঞ্জীভুক্ত নোহোৱালৈ নিবনুৱা হৈ আছে।

২. এজন চীনা লোকৰ গড় আয়ুস ৩৪ বছৰ আৰু এজন ইউৰোপীয়ান, আমেৰিকান বা জাপানীজ লোকৰ ৪০ ৰ পৰা ৪৫ বছৰ আয়ুসৰ তুলনাত এজন ভাৰতীয়ৰ গড় আয়ুস হ'ল ২৬ বছৰ। ভাৰত এখন যুৱ দেশ। আমি আমাৰ নাগৰিকসকলক সুদক্ষ কৰি তুলিব লাগে যাতে আমি যুৱ ভাৰতীয়সকলৰ সুবিধা ল'ব পাৰো।

৩. চীনদেশে ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণত জিডিপি-ৰ প্ৰায় ২.৫% খৰচ কৰে। তাৰ ৫০০,০০০ টা ভিইটি কেন্দ্ৰত ৩০০০ পাঠ্যক্ৰম আছে। আনহাতে ভাৰতত মাত্ৰ ৮৫০০ টা ভিইটি কেন্দ্ৰ আছে য'ত ৪০০ পাঠ্যক্ৰম অৰ্ন্তভুক্ত কৰা হৈছে। তাত জিডিপি-ৰ মাত্ৰ ০.১% হে খৰচ কৰে। ভিইটি (VET) ৰ প্ৰকৃত খৰচ বহু বেছি পিছে তথ্য সহজলভ্য নহয়।

৪. সাধাৰণ শিক্ষা আৰু জ্ঞান বৃদ্ধিৰ বিপৰীতে ব্যৱসায়িক শিক্ষা পোনপটীয়াকৈ সংস্থাপন আৰু সম্পত্তি বৃদ্ধিৰ সৈতে জড়িত। সাধাৰণ লোকৰ কাৰণে ভিইটিৰ উপযোগিতা, প্ৰশিক্ষিত তথা দক্ষ মানৱ শক্তি ব্যৱহাৰ কৰা প্ৰতিষ্ঠানসমূহৰ বাবে ইয়াৰ উপকাৰিতা আৰু দেশখনক বিশ্বস্তৰত প্ৰতিযোগিতামূলক কৰি তুলিবৰ কাৰণে ইয়াৰ উপকাৰিতাসমূহ তেতিয়াহে লাভ কৰিব পৰা যাব যেতিয়া ১৫ বছৰ বয়সৰ ওপৰৰ ৮০% যুৱক-যুৱতীয়ে ভিইটি বাচি লব আৰু সাধাৰণ কলেজৰ শিক্ষা যেনে বিএ (BA), বিএচ্‌চি (BSc) বা বিকম্ (BCom) বাচি নলব।

৫. সুদক্ষ যুৱ মানৱ শক্তিক বিশ্ব বজাৰলৈ যোগান ধৰাৰ জনসাংখ্যিক বিভাজনক ভিইটি (VET) ব্যৱহাৰৰ মাধ্যমেৰে ভৱিষ্যত ভাৰতীয়সকলে ৰোধ কৰিব লাগিব।

৬. বৰ্ত্তমানৰ ৪৯০ মিলিয়ন কৰ্মশক্তিক সংগঠিত খণ্ডত ৩০ মিলিয়ন আৰু অসংগঠিত খণ্ডত ৪৬০ মিলিয়ন হিচাপে ভাগ কৰিব পাৰি। আমি সন্মুখীন হোৱা বৃহৎ প্ৰত্যাহ্বান হৈছে অসংগঠিত খণ্ডত থকা ৪৬০ মিলিয়ন লোকৰ বাবে বিশ্বমানৰ ভিইটি (VET) প্ৰদান কৰা।

৭. বেছি সংখ্যক সৰু মধ্যম উদ্যোগ অসংগঠিত খণ্ডত অৰ্ন্তভুক্ত হৈ আছে। এচ্‌এম্‌ই হৈছে অৰ্থনীতিৰ প্ৰকৃত চালিকা শক্তি। এচ্‌এম্‌ই সমূহক ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণৰ লগত সংযোজন ঘটালে নবীন, গুণী আৰু প্ৰশিক্ষিত মানৱ শক্তিৰ বিশ্বৰ ভিতৰতে লেখত ল'বলগীয়া এক বৃহৎসংখ্যক গোট সৃষ্টি কৰিব পৰা যাব।

৮. চুইজাৰলেণ্ড আৰু অষ্ট্ৰিয়াৰ দৰে দেশত প্ৰতি ৮ মিলিয়ন জনসংখ্যাৰ বাবে ৫০০০ টা ভিইটি কেন্দ্ৰ আছে। এই দেশদুখন চাৰিওপিনে মাটিৰে আগুৱা আৰু ইয়াত কোনো খনিজ সম্পত্তি বা শক্তি নাই। কিন্তু উচ্চ মানৰ মানৱ সম্পদৰ কাৰণে ভাৰতবৰ্ষৰ জিডিপি-ৰ ২৩% ৰ তুলনাত তেওঁলোকৰ জিডিপি-ৰ হাৰ হৈছে ৩৩%।

৯. বৰ্ত্তমানৰ "শিক্ষানবিচ অধিনিয়ম" দেশৰ প্ৰয়োজনীয়তা অনুসৰি সঠিক নহয়। ইয়াক সম্পূৰ্ণৰূপে সংশোধন কৰা উচিত যাতে কৰ্মশক্তিৰ ১০%-ক একেসময়তে শিক্ষানবিচৰ ৰূপৰ কাম-কাজ কৰি থকাৰ লগতে প্ৰশিক্ষণো দিব পাৰি।

<১ বিলিয়ন = ১০০০ নিযুত> <১ নিযুত = ১০ লাখ> <১ কোটি = ১০০ লাখ = ১০ নিযুত > <১ ইউএচ ডলাৰ = ৬০ টকা (ওচৰা-উচৰি)>

# *i Watch* লৈ নাগৰিকসকলৰ সঁহাৰি

যোৱা দহ বছৰৰ ভিতৰত ভাৰতীয় সংগঠন তথা ব্যক্তি সকলে পত্ৰ বা সংবাদৰ মাধ্যমেৰে যিখিনি **সঁহাৰি বা প্ৰতিক্ৰিয়া** ব্যক্ত কৰিছে, সেইসমূহৰ দস্তাবেজীকৰণ কৰা হৈছে।

এই বাৰ্তাসমূহৰ পৰা কিছুমান অংশ নিৰ্বাচন কৰি নথি-পত্ৰসমূহৰ এখন সংকলন তৈয়াৰ কৰা হৈছে যাক আমাৰ মুম্বাইস্থিত কাৰ্য্যালয়ত চাব পৰা যাব।

চমুকৈ, *i Watch* এ দাঙি ধৰা কৌশলসমূহৰ ওপৰত ভিত্তি কৰি ভাৰতৰ বিভিন্ন অংশত যি মানসিক চিন্তাধাৰাত পৰিৱৰ্ত্তন আৰু আঁচনিসমূহৰ কাৰ্য্যকৰীকৰণ হোৱা দেখা পাইছো, সেয়া দেখি আমি যথেষ্ট সুখী হৈছো।

• আপোনাৰ পত্ৰৰ পৰা কিছু জ্ঞান সংগ্ৰহ কৰি মোৰ ঐক্যবদ্ধ শাসন সম্পৰ্কীয় আঁচনি সমূহ তৈয়াৰ কৰোতে সেয়া ব্যৱহাৰ কৰিবলৈ ইচ্ছা কৰিম।

***এম আৰ্ নাৰায়ণ মূৰ্তী, অধ্যক্ষ আৰু মুখ্য পৰামৰ্শদাতা, ইনফ'চিচ***

• *i Watch* এ নাগৰিক সকলৰ উন্নতিৰ কাৰণে যিখিনি কাম কৰি আহিছে, তাক চেম্বাৰে প্ৰশংসা কৰিছে।

***পি. এন. মোগ্ৰে, সাধাৰণ সম্পাদক, ইণ্ডিয়ান মাৰচেন্টচ্ চেম্বাৰ।***

• *i Watch* ৰ লক্ষ্য প্ৰকৃততে কৃষণ খান্নাৰো লক্ষ্য হৈ আহিছে যিটো হৈছে তেওঁ জীৱনত বা কৰ্মসূত্ৰে জড়িত হৈ থকা সকলো ক্ষেত্ৰৰে উন্নতি আৰু ৰূপান্তৰ সাধন কৰা।

***ডঃ.পি. এচ্ ৰানা, অধ্যক্ষ আৰু পৰিচালনা সঞ্চালক, এইচ্.ইউ.ডি.চি.অ' (HUDCO)***

• আমি ৫০০ ৰো অধিক এন্‌জিঅ'ৰ লগত লেনদেন কৰো আৰু আমি ক'বই লাগিব যে *i Watch* এটা অসাধাৰণ আৰু সৃষ্টিশীল এন্‌জিঅ'।

***ৱিনয় চ'মানি, মেনেজিং ট্ৰাষ্টি, Karmayog.com***

• ভাৰতৰ জনসাধাৰণৰ হকে আঁচনিসমূহৰ পৰা সৰ্বাধিক লাভ আহৰণ কৰিবৰ কাৰণে *i Watch*-এ আগবঢ়োৱা পৰিকল্পনা তথা পৰামৰ্শৰ ওপৰত আমি বিশ্বাসী।

***অনুপম মিট্টাল, অধ্যক্ষ আৰু চিঁইঅ', পিপল গ্ৰুপ***

• মই *i Watch* ৰ দৰে এন্‌জিঅ'ৰ বিষয়ে আজিলৈকে শুনা নাই যাৰ ওচৰত 'ভাৰতৰ ৰূপান্তৰ'-ৰ বাবে এনে উচ্চ মানৰ আঁচনি আছে।

***মেজৰ জেনেৰেল ডি.এন্. খুৰানা, পৰিচালনা সঞ্চালক, অল ইণ্ডিয়া মেনেজমেন্ট এচ'চিয়েচন***

• মই সঁচাকৈ *i Watch*-ক সচেতনতা বৃদ্ধি, আঁচনিসমূহৰ কাৰ্য্যকৰীকৰণৰ বাবে পৰামৰ্শ আগবঢ়োৱা প্ৰচেষ্টা, শৈক্ষিক সংশোধন আৰু ভাৰতৰ ৰূপান্তৰৰ বাবে আঁচনিসমূহৰ ওপৰত প্ৰকৃতাৰ্থত গুৰুত্ব দিবৰ কাৰণে বিভিন্ন অংশধাৰী সকলৰ সৈতে সম্পৰ্ক স্থাপন তথা সহায় কৰাৰ এই প্ৰচেষ্টাক প্ৰশংসা কৰিছো।

***সুষমা বেৰলিয়া, সভাপতি এডুকেচন প্ৰমোচন চচাইটি ফৰ ইণ্ডিয়া***

• এওঁলোকে ভাৰতৰ উচ্চ তথা নিৰন্তৰ উন্নতিৰ কাৰণে এক গাঁথনি তৈয়াৰ কৰিছে। ইয়াৰ কাৰণে তেওঁলোকে ঐক্যমত গঠন আৰু আঁচনিৰ সাল-সলনিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ ওপৰত কাম কৰি আছে। এইটো সচাঁ অৰ্থত এটা অভূতপূৰ্ব আঁচনি যাক সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হ'ব পৰাকৈ প্ৰস্তুত কৰা হৈছে।

***ৰাজীৱ কুমাৰ, মুখ্য অৰ্থনীতিবিদ, চিআইআই***

• *i Watch* -এ জনসাধাৰণক বুজোৱাত তথা যি যি ক্ষেত্ৰত আঁচনিখনত সাল-সলনিৰ প্ৰয়োজন, সেয়া নিৰ্দিষ্টভাৱে আঙুলিয়াই দিয়া আৰু ভাৰতবাসীৰ লাভাৰ্থে সুশাসনৰ গুৰুত্ব আৰু দৰকাৰ সম্পৰ্কে বুজাই দিয়াত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

***ডঃ বি.পি. ধাকা, সাধাৰণ সম্পাদক, পিএইচডিচিচ আৰু আই (PHDCC&I)***

• এজন শিক্ষাবিদ আৰু এইচ্‌আৰ্‌ডি কনচালটেন্ট হিচাপে মই দৃঢ়ভাৱে বিশ্বাস কৰো যে *i Watch* ৰ ব্যৱসায়িক শিক্ষাৰ ৩০০০ টা দিশত ৯৫% যুৱক যুৱতীক প্ৰশিক্ষণ দিয়াৰ এই আঁচনি আটাইতকৈ অভিনৱ। যদি কাৰ্য্যকৰী কৰা যায়, ভাৰতৰ নিবনুৱা সমস্যাৰ ই এটা প্ৰধান সমাধান হ'ব।

***প্ৰফেচৰ ৰুচিকুমাৰ পাণ্ড্যা ইন্টাৰনেশ্যনেল মেনেজমেন্ট গুৰু***

• মই আগ্ৰহেৰে আপোনাৰ ''ভাৰতৰ ৰূপান্তৰ'' কিতাপখন পঢ়িছো আৰু ইয়াত সন্নিবিষ্ট দৰকাৰী তথ্য আৰু পৰামৰ্শৰ বাবে আপোনাক শুভেচ্ছা জ্ঞাপন কৰিলো। মোৰ অলপমানো সন্দেহ নাই যে উত্থাপিত সমস্যা আৰু পৰামৰ্শসমূহ সঁচাই মূল্যবান হয়।

***বি. এন. য়ুগান্ধৰ, মেম্বাৰ প্লেনিং কমিচন***

• সুশাসন সম্পৰ্কে মই আপোনাৰ লগত বিস্তৃত চৰ্চা কৰিবলৈ বিচাৰিম যাতে আপোনাৰ কিতাপ ''ভাৰতৰ ৰূপান্তৰ''-ত উল্লেখ কৰা কিছু পৰামৰ্শৰ ওপৰত ভৱিষ্যতে চিন্তা-চৰ্চা কৰিব পৰা যায়।

***এম দামোদৰণ, অব্যক্ষ আৰু পৰিচালন সঞ্চালক, আইডিবিআই (IDBI)***

• *i Watch* ৰ দ্বাৰা হোৱা ভাল কামৰ বিষয়ে মই অৱগত। সুশাসন, প্ৰশিক্ষণ আৰু সংস্থাপন সম্পৰ্কীয় আপোনাৰ মতামত মই লক্ষ্য কৰিছো।
***এম্ ভেঙ্কায়া নাইডু, সভাপতি, বিজেপি।***

• অনুগ্ৰহ কৰি এই ভাল কাৰ্য্য নিৰন্তৰ কৰি থাকিব।
***ডঃ নটৰাজন - অধ্যক্ষ, অল ইণ্ডিয়া কাউন্সিল ফৰ টেকনিকেল এডুকেশ্যন।***

• ভাৰতৰ উত্থানৰ কাৰণে তৈয়াৰ কৰা এই সমূহ আঁচনি আৰু আপোনাৰ প্ৰচেষ্টা দেখি মই খুবেই অভিভূত।
***বাবু খালফেন, এনআৰআই - আমেৰিকাত নিবাসিত।***

• যি উদ্দেশ্যেৰে *i Watch* আৰম্ভ কৰা হৈছিল সেয়া উন্নত শাসনৰ বাবে সঁচাই এক সময়োপযোগী চেষ্টা। আপোনাৰ প্ৰতিষ্ঠানৰ লগত জড়িত হ'বলৈ পালে আমি খুব সুখী হ'ম।
***দিপাংকৰ চানৱালকে, কাৰ্য্যবাহী সঞ্চালক, কেপিএমজি।***

• সৰ্বপ্ৰথমে, আপোনাৰ এই সমস্ত প্ৰস্তুতিৰ বাবে আপোনাক শুভেচ্ছা জ্ঞাপন কৰিছো আৰু মই বৰ সুখী তথা গৌৰৱ বোধ কৰিছো যে ব্যৱসায়িক শিক্ষা আৰু প্ৰশিক্ষণ সম্পৰ্কে আমাৰ একেলগে কাম কৰাৰ কথাটোত আপুনি আগ্ৰহ প্ৰকাশ কৰিছে। ইয়াৰ সম্ভাৱনা সমূহ মই লক্ষ্য কৰিব পাৰিছো।
***প্ৰফেচৰ ৰূপা চাহ, উপ আচাৰ্য, এচএনডিটি ৱুমেনচ ইউনিভাৰচিটি***

• আমি আইচি চেন্টাৰ ফৰ গৱৰনেন্সৰ সংস্থাপক সদস্যৰূপে আপোনাক স্বাগতম জনাইছো। আপুনি নিৰ্বাচন কৰি উলিওৱা মুখ্য গুৰুত্বপূৰ্ণ বিষয়সমূহ আৰু ইয়াৰ কাৰ্য্য কৰীকৰণৰ বাবে তৈয়াৰ কৰা আঁচনি দেখি কাৰ্য্যকৰী কমিটিৰ সদস্যসকল আপ্লুত হৈ পৰিছে।
***প্ৰভাত কুমাৰ, মন্ত্ৰী পৰিষদৰ পূৰ্ব সম্পাদক আৰু সভাপতি, আইচি চেন্টাৰ ফৰ গৱৰনেন্স***

• আমাৰ মুখ্য সচিবৰ সৈতে হোৱা আপোনাৰ আলোচনাক ভিত্তি কৰি আপোনাক জনাবলৈ বিচাৰিছো যে যদি আপুনি দিল্লী সচিবালয়ত এন্‌চিটি (NCT) চৰকাৰৰ প্ৰায় ৪৫০ জন জ্যেষ্ঠ তথা মধ্যস্তৰীয় বিষয়া সকলৰ কাৰণে সুশাসন তথা প্ৰভাৱশালী প্ৰশাসনৰ ওপৰত পৰস্পৰ প্ৰভাৱী বৈঠকৰ আয়োজন কৰে, তেন্তে আমি অত্যন্ত সুখী হ'ম।
***প্ৰকাশ কুমাৰ, এআৰআৰআইটি সম্পাদক এনচিটি চৰকাৰ।***

• **ৱৰ্ল্ড ইক'নমিক ফ'ৰাম** আৰু **চিআইআইৰ** দ্বাৰা আয়োজিত ''ভাৰত তথা বিশ্ব ২০২৫''পৰিদৃশ্যৰ ওপৰত আলোচনাধৰ্মী কৰ্মশালাত *i Watch* ক বিশেষজ্ঞ মণ্ডলীৰ এক অংশৰূপে মতামত তথা পৰামৰ্শ আগবঢ়াবলৈ নিমন্ত্ৰণ কৰা হৈছে।
***কনফেডাৰেচন অৱ ইণ্ডিয়ান ইণ্ডাষ্ট্ৰী***

• আপুনি কৰা এই ভাল কামৰ বাবে মোৰ অভিনন্দন গ্ৰহণ কৰিব। এই সুযোগতে মই আপোনাৰ কামৰ সফলতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছো আৰু দৃঢ়তাৰে ক'বলৈ বিচাৰিছো যে আপোনাৰ প্ৰকাশনে জনসচেতনতা বৃদ্ধি কৰিব আৰু যিসমূহ দিশত আমি অধিক গুৰুত্ব প্ৰদান কৰিব লাগে সেই দিশসমূহক পোহৰলৈ অনাত এটা খুবেই শিক্ষণীয় ভূমিকা পালন কৰিব।
***এম.ভি. ৰাজাশেখৰণ, পৰিকল্পনা, পৰিকল্পনা আয়োগৰ ৰাজ্যিক মন্ত্ৰী***

• আমি অত্যন্ত সুখী হ'ম যদি আপুনি ''কনফাৰেন্স অৱ এন্‌আৰ্‌আই-চিভিল চচাইটি পাৰ্টনাৰশ্বিপ''-ত ভাগ ল'বৰ বাবে তথা এই সম্পৰ্কে পৰামৰ্শ আগবঢ়াবলৈ কিছু সময় উলিয়াব পাৰে।
***ডঃ আবিদ হুচেইন, অধ্যক্ষ, গ্ৰুপ ফৰ ইক'ন'মিক এণ্ড চ'চিয়েল ষ্টাডিজ***

• আপোনাৰ সহযোগিতাৰ বাবে আপোনাক বহুত ধন্যবাদ জ্ঞাপন কৰিছো। ই আমাক শক্তিশালী আৰু সক্ৰিয় সংগঠন ৰূপে আগবাঢ়ি যোৱাত সহায় কৰিছে।
***পদ্মিনী চমাণি, সঞ্চালক চালাম বম্বে ফাউণ্ডেচন***

• আপোনাৰ প্ৰকাশন পঢ়িবলৈ খুবেই আমোদজনক। আপোনাৰ প্ৰচেষ্টাৰ সৰলতা আৰু ব্যৱহাৰিকতা সঁচাই প্ৰশংসনীয়।
***কে.এল. চুঘ, অধ্যক্ষ, ইমেৰিটচ আইটিচি লিমিটেড***

• *i Watch* এ বিস্ময়কৰ কাম কৰি আছে। আৰু আপুনি কৰি থকা গৱেষণাই আমাৰ অভিযানৰ বাবে বহুতো সমল আগবঢ়াব।
***সুদেশ কে আগৰৱালা, সাধাৰণ সম্পাদক, অল ইণ্ডিয়ানচ ফাউণ্ডেচন।***

• আমি মানি ল'বই লাগিব যে নিঃসন্দেহে এয়া এক সংঘৰ্ষ পূৰ্ণ কাৰ্য্য আৰু আপুনি বহুতো গুৰুত্বপূৰ্ণ পৰিসংখ্যা আৰু তথ্য সংগ্ৰহ কৰিছে। মই আপোনাক আশ্বাস দিছো যে মোৰ সীমিত ক্ষমতাৰে যিমানদূৰ সম্ভৱ সকলো মঞ্চতে আপোনাৰ তথ্য সমূহ উপস্থাপন কৰিম।
***পি.এম.ৰয়, অধ্যক্ষ, ইণ্ডো-আচাহি গ্লাচ লিমিটেড***

• আমাৰ সামাজিক সাংস্কৃতিক-অৰ্থনৈতিক দিশসমূহত গঢ় লৈ উঠা অমংগলীয়া বেমাৰ সমূহ বিচাৰি উলিওৱাৰ আপোনাৰ এই যি চেষ্টা সেয়া সঁচাই প্ৰশংসনীয়।
***আৰ.এচ. আগৰৱাল, যৌথ অধ্যক্ষ, ইনামি গ্ৰুপ অৱ কম্পেনিজ***

# *i Watch*ৰ বিষয়ে দুআষাৰ

• মই আপোনাৰ ‘‘**ভাৰতৰ সুশাসন আৰু প্ৰশাসন**’’-ৰ বিষয়ে খুব সূক্ষ্মভাৱে অধ্যয়ন কৰিছো আৰু বহুত প্ৰভাৱিত হোৱাৰ লগতে উত্তেজিতও হৈছো। ই ইমানেই শক্তিশালী যে ই সকলো লোককে চিন্তা কৰিবলৈ বাধ্য কৰি তুলিব। আপুনি সঠিক ঠাইত খুন্দা মাৰিছে। কি কাৰকে ভাৰতক অসুস্থ কৰি তুলিছে, সেয়া আপুনি স্পষ্টভাৱে আঙুলিয়াই দিছে।
***প্ৰকাশ অলমেইদা, সঞ্চালক, ইন্সটিটিউট ফৰ ষ্টাডি অব ইক’ন’মিক ইছ্যুজ***

• মোৰ দৃঢ় বিশ্বাস যে এই কিতাপখন পঢ়ি পাঠকসকলে ভাবিবলৈ বাধ্য হ’ব আৰু তাৰ ফলত আপুনি যি পথ দেখুৱাইছে তাক বাস্তৱিক ৰূপ দিবলৈ যিকোনো লোকে কিবা নহয় কিবা পদক্ষেপ ল’বলৈ বাধ্য হ’ব।
***এন্ ভিট্টল, চেন্ট্ৰেল ভিজিলেন্স কমিচন, চিভিচি***

• আপোনাৰ উপলব্ধি হ’ল উৎকৃষ্ট, ধাৰণাসমূহ স্বকীয় আৰু কিছুমান তথ্য মন অস্থিৰ কৰি তুলিব পৰাকৈ প্ৰভাৱশালী। মই আশা কৰিছো সৰ্বভাৰতীয় সংবাদ মাধ্যমৰ যোগেদি আপোনাৰ ধাৰণাসমূহ আৰু সুদূৰপ্ৰসাৰী হওক।
***এইচ্ এন্ দষ্টুৰ,***
***কাৰ্য্যবাহী সঞ্চালক, ভাৰতীয় বিদ্যা ভৱন।***

• যেতিয়া সচেতনতা থাকে, তেতিয়া কাৰ্য্যকৰীকৰণো সম্ভৱ হয় আৰু এই যাত্ৰাত মোৰ লগতে বহুতো ভাৰতবাসী আপোনাৰ সৈতে আছে। আগবাঢ়ি যাওক।
***সুশিল গুপ্তা***
***পূৰ্ব জিলা প্ৰশাসক, ৰটাৰী জিলা ৩০১০***

• মই আপোনাক আশ্বাস দিছো যে আপোনাৰ পত্ৰত উল্লেখিত একসূত্ৰীয় কাৰ্য্যক্ৰম (one point agenda) অনুসৰণ কৰিবলৈ মোৰ ক্ষমতা অনুসৰি কাম কৰি যাম।
***জৰ্জ ফাৰ্ণাণ্ডেজ***
***প্ৰাক্তন-প্ৰতিৰক্ষা মন্ত্ৰী, ভাৰত চৰকাৰ।***

• আপোনাৰ মূল্যবান অভিজ্ঞতাৰ লাভাংশ পোৱাৰ কাৰণে আমি নিজকে সৌভাগ্যবান বুলি ভাবো
***এয়াৰ কম’দৰ অমৃত লাল, কাৰ্য্যবাহী সঞ্চালক, ইণ্ডিয়ান চচাইটি ফৰ ট্ৰেইনিং এণ্ড ডেভেলপমেন্ট।***

• আপুনি আপোনাৰ লিখনিত ব্যক্ত কৰা দৃষ্টিকোণসমূহৰ প্ৰশংসা কৰাৰ লগতে এনেধৰণৰ আন আন বিচাৰ, পৰামৰ্শ আৰু কাৰ্য্যক্ৰমৰ অপেক্ষা কৰিছো, যি আমাৰ সমাজখনক শুদ্ধ দিশলৈ আগুৱাই লৈ যোৱাত অৱদান আগবঢ়াব।
***সুৰেশ প্ৰভু, সাংসদ, লোক সভা***

## *i Watch* কি হয়?

*i Watch* হৈছে এজন নাগৰিকৰ এক অভিযান যাৰ উদ্দেশ্য হৈছে ‘‘ভাৰতৰ ৰূপান্তৰ’’। *‘i’* ৰ অৰ্থ হৈছে ভাৰত, ভাৰতীয়, আপুনি আৰু মই। *‘Watch’* ৰ অৰ্থ হৈছে দেশত যি যি ঘটনা ঘটি আছে, আমি সেয়া প্ৰত্যক্ষ কৰি আছো আৰু দেশৰ উন্নতিৰ হকে সচেতনতা বৃদ্ধি কৰিবৰ বাবে আমি সেয়া নাগৰিকসকলক অৱগত কৰি আছো।

*‘i’* টো সৰুফলাত ব্যৱহাৰ কৰা হৈছে কাৰণ আমাৰ গুৰুসকলে আমাক সদায় শিকাই আহিছে যে কেৱল বিনম্ৰতাৰেহে সত্য জানিব পাৰি। আমি **মানব সম্পদৰ উন্নতি, শাসন, অৰ্থনীতি, উদ্যোগ** আৰু **সংস্থাপন সৃষ্টি** আৰু ইয়াৰ পাৰম্পৰিক সম্পৰ্কৰ প্ৰাসংগিকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছো।

*i Watch* এক পঞ্জীকৃত দাতব্য প্ৰতিষ্ঠান (Registered charity), ইয়াৰ মূল কাৰ্য্যালয় মুম্বাই, ভাৰতত স্থিত।

*i Watch* এ লাভ কৰা বৰঙণিৰ ওপৰত ভাৰতীয় সংগঠন তথা ব্যক্তিয়ে আয়কৰৰ ৮০G ধাৰাত লাভ পাব পাৰে।

বিদেশী দান গ্ৰহণ কৰিবৰ হেতু এফচিআৰএ-ৰ তৰফৰ পৰা ২০০৯ চনৰ জানুৱাৰী মাহত স্বীকৃতি লাভ কৰা হৈছে।

## ভাৰতৰ ৰূপান্তৰ সম্ভৱপৰ কৰি তুলিবলৈ আমি কেনেদৰে পৰিকল্পনা কৰিছো?

*i Watch* এ তিনিটা স্তৰত কাম কৰে...

১. **সচেতনতা সৃষ্টি**
সচেতনতা সৃষ্টি কৰিবৰ বাবে *‘‘ভাৰতক এক জ্ঞানৰ অৰ্থব্যৱস্থা কৰি তোলা’’, ‘‘ভাৰত-যিখন আপুনি নাজানিবও পাৰে’’, আৰু ‘‘ভাৰতৰ বাবে কাৰ্য্য আঁচনি’’-ৰ দৰে প্ৰকাশনৰ ব্যৱহাৰ কৰা হৈছে।*

২. **সমাধান আৰু আঁচনি গঠন**
এয়া আমাৰ ৱেবচাইট, ভাৱ বিনিময় ধৰ্মী কৰ্মশালা তথা আমাৰ ১০৪ পৃষ্ঠাৰ পুস্তিকা ‘‘ভাৰতৰ ৰূপান্তৰৰ’’ জৰিয়তে লাভ কৰিব পৰা যাব।

৩. **প্ৰকৃত কাৰ্য্যকৰীকৰণ**
ইয়াৰ কাৰণে আমি চৰকাৰ, জনতা, ব্যক্তিগত প্ৰতিষ্ঠান আৰু এনজিঅ’ সমূহৰ সৈতে সহযোগ তথা যোগাযোগ কৰি আছো।

## *i Watch* এতিয়ালৈকে কিমান দূৰ সফল হৈছে?

১৯৯২ চনত আমি যেতিয়া 'ভাৰতৰ ৰূপান্তৰ'ৰ এই যাত্ৰা আৰম্ভ কৰিছিলো, তেতিয়া আমি কি কি দিশত বেছি গুৰুত্বাৰোপ কৰিব লাগে, সেই বিষয়ে আমাৰ একো জ্ঞান নাছিল।

'ভাৰতৰ ৰূপান্তৰ'-ৰ' বাবে গুৰুত্ব দিবলগীয়া দিশসমূহ সম্পৰ্কে এক মীমাংসালৈ আহিবৰ কাৰণে আমাক ৪ বছৰৰ গৱেষণা আৰু ভ্ৰমণৰ প্ৰয়োজন হ'ল।

